**রাজস্থানৰ কোটাত হাজোৰ যুৱকক হত্যা**

ই-সংবাদ, হাজো, ২৭ ডিচেম্বৰঃ ৰাজস্থানৰ কোটাত কালি নিশা সংঘটিত হৈছে এক ভয়ংকৰ ২ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SATURDAY, DECEMBER 28, 2024 ■ শনিবাৰ, ১২ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩ Guwahati, Assam ।। মূল্যঃ এটকা

## সাতদিনীয়া ৰাষ্ট্ৰীয়-ৰাজ্যিক শোক ঘোষণা

ই-সংবাদ, ২৭ ডিচেম্বৰঃ প্ৰাক্তন প্ৰধানমন্ত্ৰী, বিশ্বৰ বিখ্যাত অৰ্থনীতিবিদ ড০ মনমোহন সিঙক সন্মান জনাই তথা শ্ৰদ্ধাঞ্জলি জ্ঞাপন শেষাংশ ৪ পৃষ্ঠাত




প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙক শেষ শ্ৰদ্ধা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

### গৌৰৱ গগৈৰো সুকীয়া শ্ৰদ্ধাঞ্জলি

## শ্ৰদ্ধাঞ্জলি দিবলৈ দিল্লীত প্ৰদেশ কংগ্ৰেছ

ই-সংবাদ বিশেষ, ২৭ ডিচেম্বৰঃ আজি সাংসদসহ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ নতুন দিল্লীৰ বাসগৃহত উপস্থিত হৈ শেষাংশ ৪ পৃষ্ঠাত

# আজি পঞ্চভূতত বিলীন হ'ব ড° মনমোহন সিং



## মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীয়ে জনালে বিশেষ শ্ৰদ্ধা!

নতুন দিল্লী, ২১ ডিচেম্বৰঃ শিক্ষা, মানৱতা আৰু বন্ধুত্বৰ প্ৰতীক হৈ গুচি গ'ল মনমোহন সিং! দেশৰ অৰ্থনীতিক শেষাংশ ৩ পৃষ্ঠাত

নতুন দিল্লী, ২৭ ডিচেম্বৰঃ শনিবাৰে সম্পূৰ্ণ ৰাজ্যিক সন্মানেৰে অনুষ্ঠিত হ'ব প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ শেষকৃত্য অনুষ্ঠান। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া ৰাজঘাটৰ সমীপৰ যমুনা নদীৰ পাৰত থকা শেষাংশ ২ পৃষ্ঠাত

## চকু মেলিয়েই প্ৰশ্ন, কেনে আছে কাশ্মীৰ?



নতুন দিল্লী, ২৭ ডিচেম্বৰঃ বিদায়ৰ লগে লগে পুৰণি বছৰটোৱে সমগ্ৰ দেশবাসীক দি থৈ গ'ল এটা অশ্ৰুসিক্ত দিন। ২৬ ডিচেম্বৰ, শেষাংশ ৩ পৃষ্ঠাত

### প্ৰাক্তন এছপিজিয়ে মনত পেলালে সিঙৰ 'সৰলতা'ক

## বিএমডব্লিউ নহয়, মনমোহন সিঙৰ প্ৰিয় আছিল মাৰুতি!

### অসমৰ ডিজিপিৰো অতীত স্মৰণ

ই-সংবাদ বিশেষ, ২৭ ডিচেম্বৰঃ অতি প্ৰভাৱশালী তথা ডাঙৰ পদবীত থকা মানুহৰ আচাৰ-ব্যৱহাৰে সদায়েই সৰু মানুহক বিমুগ্ধ কৰে। ভাৰতৰ ইতিহাসত এনে বহু ৰাজনেতা আছে যাৰ সাধাৰণ মানুহৰ প্ৰতি দেখুওৱা সদাচাৰ, সদ্ভাৱে মানুহক দেৱতাৰ শাৰীলৈ নিয়ে। সৰু মানুহৰ প্ৰতি শেষাংশ ৫ পৃষ্ঠাত





## লাহোৰত মৃত্যু মুম্বাই আক্ৰমণৰে জড়িত মাক্কিৰ

কৰাচী, ২৭ ডিচেম্বৰঃ পাকিস্তানত মৃত্যু ২৬/১১ মুম্বাই আক্ৰমণৰ অন্যতম মাষ্টাৰমাইণ্ড ৩ পৃষ্ঠাত

## আকৌ বিদ্ৰোহ বঞ্চিত বিজেপিৰ শীৰ্ষ নেতাৰ!

ই-সংবাদ, ২৭ ডিচেম্বৰঃ বিজেপিৰ বৰঘৰত একুৰা জুই দপদপকৈ ৫ পৃষ্ঠাত

## গ্ৰন্থৰ উমেৰে উমাল খানাপাৰা

গুৱাহাটী,২৭ ডিচেম্বৰঃ "অসমীয়া ভাষাৰ যে এক স্বকীয় শেষাংশ ৭ পৃষ্ঠাত

## চাহ শ্ৰমিকৰ প্ৰতিবাদ, উত্তাল ধোদৰ আলি

ই-সংবাদ, মথুৰাপুৰ, ২৭ ডিচেম্বৰঃ চৰাইদেউৰ দ'লবাগানত ঐতিহাসিক ধোদৰ শেষাংশ ৬ পৃষ্ঠাত

## দুৰ্গেশ্বৰ সোণোৱাললৈ আছুৰ প্ৰতিমা বৰুৱা পাণ্ডে বঁটা



### প্ৰথম দেখিলে গুৱাহাটী!

ই-সংবাদ, ২৭ ডিচেম্বৰঃ গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী হস্তীৰ কন্যাখ্যাত প্ৰতিমা বৰুৱা পাণ্ডেৰ আজি মৃত্যু বাৰ্ষিকী। ২২ সংখ্যক মৃত্যু শেষাংশ ২ পৃষ্ঠাত

### মহানগৰীৰ গাড়ীগাঁৱত চাঞ্চল্য

## কিশোৰী-যুৱকৰ মৃতদেহ লুইতত উদ্ধাৰ



ই-সংবাদ, ২৭ ডিচেম্বৰঃ ক্ৰাইম চিটীত পৰিণত হৈছে গুৱাহাটী মহানগৰী! এইবাৰ গুৱাহাটীত এগৰাকী ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি পঞ্চভূতত বিলীন হ'ব ড০

সুকীয়া সমাধিস্থলত সম্পন্ন কৰাৰ দাবী জনাইছে কংগ্ৰেছে। উল্লেখ্য যে, এই সমাধিস্থলত দেশৰ কেইবাগৰাকীও প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ স্মৃতিসৌধ আছে। মন কৰিবলগীয়া যে, ইউ পি এ চৰকাৰেই ৰাজঘাটৰ সমীপত ৰাষ্ট্ৰীয় স্মৃতিসৌধ স্থাপনৰ সিদ্ধান্ত লৈছিল যদিও ঠাইৰ অভাৱত সেই স্মৃতিসৌধ বন্ধ কৰি দিয়া হৈছিল। ইফালে কংগ্ৰেছে গান্ধী পৰিয়ালৰ বাহিৰৰ নেতাক পৰ্যাপ্ত গুৰুত্ব নিদিয়াৰো দীঘলীয়া সময়ৰ পৰাই উত্থাপন হৈ আহিছে। বিশেষকৈ কিদৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ নশ্বৰ দেহ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত ৰাখিবলৈ দিয়া হোৱা নাই সেই কথাও এতিয়া উল্লেখ কৰিছে একাংশই। দলৰ বিৰুদ্ধে এই সময়ত উত্থাপন হোৱা অভিযোগ আৰু চৰ্চাৰ মাজতে সদ্যপ্ৰয়াত মনমোহন সিঙৰ শেষকৃত্য পৃথক সমাধিস্থলত সম্পন্ন কৰাৰ দাবী তুলিছে কংগ্ৰেছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত এই দাবী উত্থাপন কৰিছে কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। সমান্তৰালভাৱে এই বিষয়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতেও আলোচনাত মিলিত হৈছে দলৰ অন্য নেতাসকল। ইফালে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী, অৰ্থনীতিবিদ মনমোহন সিঙৰ বিয়োগত ১ জানুৱাৰী পৰ্যন্ত সাত দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে কেন্দ্ৰীয় চৰকাৰে। শনিবাৰে কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত অৰ্ধছুটি ঘোষণা কৰা হৈছে। উল্লেখ্য যে, বৃহস্পতিবাৰে নিশা বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ থাকি ৯২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে মনমোহন সিঙে। শনিবাৰে তেওঁৰ নশ্বৰ দেহ মতিলাল নেহৰু ৰোডৰ ৩ নং বাসগৃহত ৰখা হ'ব আৰু তাৰ পিছত আকবৰ ৰোডস্থিত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ লৈ যোৱা হ'ব, য'ত জনসাধাৰণ আৰু কংগ্ৰেছ কৰ্মীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰিব। ইয়াৰ পিছতে শনিবাৰে পুৱা ৯:৩০ বজাত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা আৰম্ভ হ'ব সিঙৰ অন্তিম যাত্ৰা। তাৰ পৰা পোনে পোনে শ্মশানলৈ নিয়া হ'ব নশ্বৰ দেহ। ইফালে, শুকুৰবাৰে সিঙৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰ, প্ৰধানমন্ত্ৰী মোদী, কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধীকে ধৰি ৰাজনৈতিক নেতাসকলে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, অধ্যক্ষ ওম বিৰলা, বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু অমিত শ্বাহকে ধৰি বহু ৰাজনৈতিক নেতাও উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজস্থানৰ কোটাত হাজোৰ যুৱকক

ঘটনা। কোটাত ৰহস্যজনক ভাবে মৃত্যু হয় অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত ক্ষেত্ৰীহাৰদিয়া গাঁওৰ এজন যুৱকৰ। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, ক্ষেত্ৰীহাৰদিয়াৰ প্ৰাণজিৎ কলিতা নামৰ যুৱক জনে বিগত চাৰিমাহ ধৰি হাজোৰেই কেইবাগৰাকী বন্ধুৰ সৈতে ৰাজস্থান কোটাৰ এখন হোটেলত ৰান্ধনী হিচাপে কৰ্মৰত হৈ আছিল। তেতিয়াৰে সকলো ঠিকেই আছিল, কিন্তু কালি নিশা হঠাৎ সুৰাৰ ৰাগীত মাতাল হৈ প্ৰাণজিৎৰ সৈতে কাজিয়াত লিপ্ত হয় হাজো অঞ্চলৰে আন দুই যুৱক। এই কাজিয়া ইমানেই ভয়ংকৰ আছিল যে বন্ধুৰ হাততে প্ৰাণ গ'ল প্ৰাণজিৎ কলিতাৰ। চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণৰ ফলত লগে লগে ঢলি পৰে প্ৰাণজিৎ কলিতা নামৰ যুৱকজন। ঘটনা সংঘটিত হোৱা মাত্ৰকে এক চাঞ্চল্যাই বিৰাজ কৰে সমগ্ৰ অঞ্চলত। ঘটনা সন্দৰ্ভত ৰাজস্থানৰ কোটা আৰক্ষীয়ে অভিযান চলাই কোটাৰ পৰা হাজোৰেই দুই যুৱকক আটক কৰিছে বুলিও জানিব পৰা গৈছে। সম্প্ৰতি মৃত প্ৰাণজিৎ কলিতাৰ মৃতদেহ ৰাজস্থানৰ এখন হাস্পতালৰ মৰ্গত ৰখা হৈছে। আজি বিয়লিৰ ভাগত প্ৰাণজিৎৰ মৃতদেহ আনিবলৈ পৰিয়ালৰ লোক ৰাজস্থানলৈ ৰাওনা হোৱাৰ লগতে এজন যুৱকক বহিঃৰাজ্যত এনেদৰে হত্যা কৰা কাৰ্যত সমগ্ৰ হাজো অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্গেশ্বৰ সোণোৱালক আছুৰ প্ৰতিমা

দিৱসত ৰাজ্যজুৰি প্ৰতিমা বৰুৱা পাণ্ডেক একাধিক দল-সংগঠনে বিভিন্ন কাৰ্যসূচীযোগে স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লোকসংগীতৰ সম্ৰাজ্ঞীৰ জন্মস্থান গৌৰীপুৰৰ লগতে ৰাজ্যৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অনুষ্ঠানৰ আয়োজন কৰি তেওঁক স্মৰণ কৰে। গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়স্থিত প্ৰতিমা বৰুৱা পাণ্ডেৰ মূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয় কৰ্তৃপক্ষই। ইপিনে আজি গুৱাহাটীৰ চানমাৰিত সদৌ অসম ছাত্ৰ সন্থাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। চানমাৰিস্থিত প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰতিমূৰ্তিস্থলীত সদৌ অসম ছাত্ৰ সন্থাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চৈৰ উপস্থিতিত অনুষ্ঠিত বিশেষ অনুষ্ঠানত লোকসংস্কৃতিৰ সাধক, ৮৬ বছৰীয়া লোকশিল্পী দুৰ্গেশ্বৰ সোণোৱালক প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা প্ৰদান কৰে জাতীয় সংগঠনটোৱে। ডিব্ৰুগড় জিলাৰ টিংখাঙৰ মেছলৌৰ সোণোৱাল-কছাৰী জনগোষ্ঠীৰ সন্তান দুৰ্গেশ্বৰ সোণোৱালক ফুলাম গামোচা, চেলেং চাদৰ, শৰাই, ফুলৰ থোপা, স্মাৰক, বিশেষ পত্ৰ আৰু নগদ ধনেৰে প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰে আছুৱে। দুৰ্গেশ্বৰ সোণোৱালে আছুৰ পৰা এই সন্মান গ্ৰহণ কৰি অভিভূত হয়। আৱেগিক দুৰ্গেশ্বৰ সোণোৱালে কয় যে এনেকৈ গুৱাহাটীলৈ আহিম বুলি কেতিয়াও ভবা নাছিলো। আছুৱে আমন্ত্ৰণ কৰাত প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ আহি সুখী হৈছো। জানিব পৰা মতে, টিংখাঙৰ মেছলৌ গাঁৱত জন্ম গ্ৰহণ কৰা দুৰ্গেশ্বৰ সোণোৱালে যাঠিৰ দশকৰ পৰাই নীৰৱে জনগোষ্ঠীটোৰ লোক সংস্কৃতিৰ সাধনা কৰি আহিছে। গায়ন-বায়নৰ লগতে বিহু হুঁচৰিৰ সৈতে জড়িত সোণোৱালে প্ৰায় ছয়টা দশক ধৰি সোণোৱাল-কছাৰী জনগোষ্ঠীৰ লোক সম্পদ মৃদঙীয়াৰ বৰবায়ন ৰূপে সেৱা কৰিছে। মৃদঙীয়াৰ গায়ন আৰু বায়ন হিচাপে নিজেই প্ৰদৰ্শন কৰাৰ লগতে নতুন প্ৰজন্মকো অনুশীলন কৰাই আহিছে সোণোৱালে। জনগোষ্ঠীটোৰ হাইদাং হুঁচৰি গীত জীয়াই ৰাখিবলৈ অশেষ কাম কৰিছে সোণোৱালে। আজিৰ সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যসূচীত উপস্থিত থাকি জাতীয় সংগঠনটোৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই দুৰ্গেশ্বৰ সোণোৱালে ৰাজ্যখনৰ লোকসংস্কৃতিৰ পথাৰখন চহকী কৰিবলৈ বিশেষ পদক্ষেপ লোৱা বুলি প্ৰকাশ কৰি লোকসংস্কৃতিৰ সাধনা কৰা অন্যতম লোক বুলি কয়। আনহাতে, প্ৰতিমা বৰুৱা পাণ্ডেৰ মাটিয়াবাগৰ আৱাস গৃহটোত কেতিয়া সংগ্ৰহালয় কৰিব ইয়াক ঘোষণা কৰিবলৈকো চৰকাৰক দাবী জনাই ভট্টাচাৰ্যই।

# হেঙেৰাবাৰীৰ চৰকাৰী আৱাসত মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, ২৭ ডিচেম্বৰঃ** আজি গুৱাহাটীত এগৰাকী চৰকাৰী কৰ্মচাৰীৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজিৰ পুৱাৰ ভাগত হেঙেৰাবাৰীত হুৱা-দুৱা লাগে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চৰকাৰী আৱাসত বিভাগটোতে কৰ্মৰত এগৰাকী কৰ্মচাৰীৰ মৃতদেহ সন্দেহজনক অৱস্থাক উদ্ধাৰ হয়। মৃতদেহটো দ্বীজেন দাসৰ বুলি চিনাক্ত কৰা হৈছে। মৃতদেহ উদ্ধাৰৰ পাছতে হেঙেৰাবাৰীত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, হেঙেৰাবাৰীৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চৰকাৰী আৱাসীক এলেকাত বসবাস কৰিছিল দ্বীজেন দাস। আজি পুৱাৰ ভাগত দীৰ্ঘ সময়লৈ ঘৰৰ পৰা ওলাই নহাত হাহাকাৰ লাগে। পিছত দ্বীজেন দাসক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নিম্ন বৰ্গৰ সহায়ক দাসৰ শীৰৰ সন্দেহজনক অৱস্থাত উদ্ধাৰৰ খবৰ লাভৰ পিছতে স্থানীয় আৰক্ষী উপস্থিত হৈ মৃতদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ঘটনাক লৈ তদন্ত কৰি গৈছে আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীয়ে জনালে

উদাৰীকৰণৰ বাটেৰে লৈ গৈ এখন উন্নত ভাৰতৰ সপোন ৰচা ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা প্ৰসিদ্ধ অৰ্থনীতিবিদগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰিছে সমগ্ৰ বিশ্বই। ২৬ ডিচেম্বৰত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিয়োগৰ খবৰ প্ৰচাৰ হোৱাৰ পিছতে তেওঁৰ অনন্য অৱদানৰ কথা সুঁৱৰি শ্ৰদ্ধাঞ্জলি যাঁচিছে বিশ্বৰ নেতাসকলে। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমেও তেওঁৰ প্ৰিয় বন্ধু মনমোহন সিঙৰ বিষয়ে ব্যক্তিগত স্মৃতিচাৰণ কৰি শোক প্ৰকাশ কৰে। আনোৱাৰ ইব্ৰাহিমে তেওঁৰ শ্ৰদ্ধাঞ্জলিত লিখিছে, "ড০ মনমোহন সিঙৰ মৃত্যুৰ খবৰ পাই শোকস্তব্ধ হৈ পৰিছো। এই মহান ব্যক্তিত্বক লৈ বহু প্ৰবন্ধ আৰু গ্ৰন্থ লিখা হ'ব, য'ত তেওঁক ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ স্থপতি হিচাপে স্মৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী হিচাপে তেওঁ ভাৰতক বিশ্ব অৰ্থনৈতিক শক্তি হিচাপে গঢ়ি তুলিছিল।" আনোৱাৰে লগতে কয় যে নব্বৈৰ দশকত মালয়েছিয়াৰ বিত্তমন্ত্ৰী হৈ থকাৰ সময়ত তেওঁ মনমোহন সিঙৰ নেতৃত্বত অৰ্থনৈতিক সংস্কাৰৰ সাক্ষী হৈছিল। আনোৱাৰে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজত একেলগে কাম কৰাৰ অভিজ্ঞতাও স্মৰণ কৰে। মালয়েছিয়াৰ প্ৰধামন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁৰ কঠিন সময়ত মনমোহন সিঙে আগবঢ়োৱা মানৱীস সাহায্যৰ প্ৰস্তাৱে তেওঁৰ অন্তৰ জয় কৰিছিল। ১৯৯৮ চনত মালয়েছিয়াৰ মন্ত্ৰীসভাৰ পৰা অপসাৰণ আৰু কাৰাগাৰত বন্দী হোৱাৰ সময়ছোৱা আনোৱাৰৰ পৰিয়ালৰ বাবে আছিল এক কঠিন সময়। সেই সময়ত মনমোহন সিঙে আনোৱাৰৰ সন্তানৰ শিক্ষাৰ খৰচ বহন কৰাৰ প্ৰস্তাৱ দিছিল। যদিও আনোৱাৰে বিনয়েৰে এই প্ৰস্তাৱ নাকচ কৰিছিল, তথাপিও তেওঁ কয় যে, "মালয়েছিয়া চৰকাৰৰ বাবে ৰাজনৈতিকভাৱে সুবিধাজনক বা গ্ৰহণযোগ্য নাছিল, কিন্তু তথাপিও তেওঁ স্বভাৱসুলভভাৱে সহায়ৰ হাত আগবঢ়াইছিল। এনে নীৰৱ উদাৰতাৰ বাবে মই তেওঁক চিৰদিন মনত ৰাখিম।" উল্লেখ্য যে, মনমোহন সিঙৰ মানৱতাৰ কাহিনী তেওঁৰ জীৱন সংগ্ৰামৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত। ১৯৩৫ চনত পাকিস্তানৰ গাহ গাঁৱত জন্মগ্ৰহণ কৰা এইজন ব্যক্তি বিভাজনৰ সময়ত ভাৰতলৈ আহিছিল। বিদ্যুৎ নথকা এখন গাঁৱৰ পৰা অহা সিঙে ইটোৰ পিছত সিটো বৃত্তি লাভ কৰি অক্সফৰ্ড আৰু কেম্বি জলৈ গৈ এদিন ভাৰতৰ প্ৰধানমন্ত্ৰী হৈছিল। লক্ষণীয় যে, অসমেও তেওঁৰ মানৱীয়তাৰ নিদৰ্শন বহন কৰিছে। প্ৰায় তিনি দশক ধৰি ৰাজ্যসভাৰ সদস্য হিচাপে সিঙে অসমৰ শিক্ষা আৰু স্বাস্থ্যখণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। ১৯৯১ চনৰ পৰা সাংসদ আঞ্চলিক উন্নয়ন পুঁজি ব্যৱহাৰ কৰি অসমৰ বহু প্ৰাথমিক বিদ্যালয় পুনৰ নিৰ্মাণত সহায় কৰি আহিছিল। ভাৰতৰ অৰ্থনৈতিক বিকাশৰ স্থপতিগৰাকীক সমগ্ৰ দেশে শেষ শ্ৰদ্ধা জনোৱাৰ সময়তে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ এই স্মৃতিচাৰণে মনমোহন সিঙৰ এক পৃথক দিশ উন্মোচন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চকু মেলিয়েই প্ৰশ্ন, কেনে আছে কাশ্মীৰ?

২০২৪, এই দিনটোৰে দেশে হেৰুৱালে এগৰাকী প্ৰকৃত দেশভক্তক। ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বিশ্বখ্যাত অৰ্থনীতিবিদ ড০ মনমোহন সিঙৰ বিয়োগৰ খবৰত আজি মৰ্মাহত সমগ্ৰ বিশ্ব। কিন্তু দেশৰ হকে তেওঁৰ অৱদান, দেশৰ হকে তেওঁৰ ভালপোৱা ভাৰতে পাহৰো বুলিও যেন পাহৰিব নোৱাৰে। তেওঁৰ দেশপ্ৰীতিৰ এক ঘটনা সুঁৱৰি আজি শোকবিহ্বল হৈ পৰিছে চিকিৎসক ৰমাকান্ত পাণ্ডা। ২০০৯ চনত দিল্লীৰ এইমছ হাস্পতালত এক জটিল হাৰ্ট বাইপাছ অস্ত্ৰোপচাৰ কৰা হৈছিল ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ। ১০ৰ পৰা ১১ ঘণ্টা ধৰি চলিছিল এই অস্ত্ৰোপচাৰ। কিন্তু চেতনা ঘূৰাই পোৱাৰ পিছত তেওঁৰ প্ৰথম প্ৰশ্ন আছিল দেশৰ বাবে। চিকিৎসকসকলক তেওঁ সুধিছিল- "মোৰ দেশখন কেনে আছে? কাশ্মীৰ কেনে আছে?" ঘটনাটো স্মৰণ কৰি তেওঁৰ চিকিৎসক, কাৰ্ডিয়াক চাৰ্জন ৰমাকান্ত পাণ্ডাই সংবাদ সংস্থা এনডিটিভিৰ আগত কয়, "অস্ত্ৰোপচাৰ শেষ হোৱাৰ পিছত আমি ৰাতি তেওঁৰ মুখৰ পৰা টিউবটো আঁতৰাই দিলোঁ যাতে তেওঁ কথা পাতিব পাৰে। তেওঁৰ প্ৰথম প্ৰশ্ন আছিল দেশৰ অৱস্থাৰ বিষয়ে। তেওঁৰ শৰীৰ বা অস্ত্ৰোপচাৰৰ বিষয়ে তেওঁ কোনো কথাই জানিব বিচৰা নাছিল।" মনমোহন সিঙৰ দেশৰ স্থিতিৰ বাবে কৰা প্ৰশ্ন শুনি স্তম্ভিত হৈ পৰিছিল চিকিৎসকসকল। তেওঁক সুধিছিল, কিয় তেওঁ নিজৰ স্বাস্থ্যৰ বিষয়ে জানিব নিবিচাৰি দেশৰ খবৰ বিচাৰিছে? তেতিয়া প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ দিছিল, "ডাক্তৰৰ ওপৰত মোৰ বিশ্বাস আছে। মই জানো আপোনালোকে মোৰ যত্ন ল'ব। কিন্তু দেশখনৰ কথা মনলৈ আহি থাকে।" ৰমাকান্ত পাণ্ডাই আৰু কয়, "ইমান ডাঙৰ অস্ত্ৰোপচাৰৰ পিছত সাধাৰণতে ৰোগীয়ে নিজৰ অসুস্থতা বা বিষৰ কথা কয়। কিন্তু মনমোহনে কেতিয়াও অভিযোগ কৰা নাছিল। তেওঁ আছিল এজন প্ৰকৃত দেশপ্ৰেমিক আৰু এজন অসাধাৰণ ব্যক্তি। এজন চিকিৎসক হিচাপে মোৰ বাবে তেওঁ আছিল এগৰাকী আদৰ্শ ৰোগী।" উল্লেখ্য যে, বাৰ্ধক্যজনিত কাৰণত অসুস্থতাত ভুগি থকা প্ৰাক্তন প্ৰধানমন্ত্ৰী সিঙে বৃহস্পতিবাৰে স্বগৃহত অচেতন হৈ পৰাৰ পিছতে নিশা তেওঁক প্ৰায় ৮ বজাত দিল্লীৰ এইমছত ভৰ্তি কৰা হৈছিল। ইয়াৰ পিছতে নিশা ৯.৫১ বজাত চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিয়োগৰ পিছতে কেন্দ্ৰীয় চৰকাৰে ৭ দিনৰ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। শনিবাৰে তেওঁৰ অন্তিম ৰীতি-নীতি সম্পন্ন কৰা হ'ব। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ছোনিয়া গান্ধী, ৰাহুল গান্ধীকে ধৰি আন ৰাজনৈতিক ব্যক্তিসকলে মনমোহন সিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাহোৰত মৃত্যু মুম্বাই আক্ৰমণৰে জড়িত

তথা লস্কৰ-ই-তৈবাৰ উপপ্ৰধান আব্দুল ৰেহমান মাক্কিৰ। দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদীজনৰ মৃত্যু সন্দৰ্ভত প্ৰকাশ কৰিছে পাকিস্তানে। কিন্তু মাক্কিৰ মৃত্যুৰ কাৰণ সন্দৰ্ভত কোনো আনুষ্ঠানিক তথ্য প্ৰদান কৰা নাই পাক চৰকাৰে। ইফালে একাংশ সংবাদ দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদীজনৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু ঘটা বুলি প্ৰকাশ কৰিছে। বাতৰি অনুসৰি, কিছুদিন ধৰি অসুস্থ হৈ থকা মাক্কিক লাহোৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু শুকুৰবাৰে তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে, ২০২৩ চনত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে (ইউএনএছচি) মাক্কিক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী হিচাপে নিৰ্ধাৰণ কৰিছিল আৰু ইয়াৰ পূৰ্বে আমেৰিকাই তেওঁক 'সন্ত্ৰাসবাদী' বুলি অভিহিত কৰি তেওঁৰ ওপৰত ২৫ হাজাৰ ডলাৰৰ পুৰস্কাৰ ঘোষণা কৰিছিল। ২৬/১১ মুম্বাই আক্ৰমণৰ পৰিকল্পনাত হাফিজ ছৈয়দ আৰু লস্কৰৰ কমাণ্ডাৰ জাকিউৰ ৰেহমান লখবীৰ সৈতে সহযোগিতা কৰিছিল মাক্কিয়ে। তদুপৰি জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ কাষত বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত আছিল। লস্কৰ-ই-তৈবাৰ ৰাজনৈতিক শাখাৰ মুৰব্বী হিচাপে মক্কিৰ কাম আছিল যুৱক-যুৱতীসকলক সন্ত্ৰাসবাদী গোটত যোগদান কৰিবলৈ ব্ৰেইন ৱাছ কৰা। হাফিজ ছৈয়দৰ 'স্বেচ্ছাসেৱী সংগঠন' জামাত-উদ-দাৱাৰ আৰ্থিক কামো চোৱাচিতা কৰিছিল। ইফালে শেহতীয়াকৈ ব্ৰিটিছ কাকত দ্য গাৰ্ডিয়ানত প্ৰকাশিত এক প্ৰতিবেদনত দাবী কৰা হৈছে যে পাকিস্তানত সক্ৰিয় ভাৰত বিৰোধী উগ্ৰপন্থী নেতাসকলক নীৰৱে 'শাস্তি' দিয়া হৈছে। এই তালিকাত শেহতীয়া সংযোজন হ'ব পাৰে মাক্কিৰ নাম, কিয়নো শেহতীয়াকৈ পাকিস্তানত উগ্ৰপন্থী নেতাৰ ৰহস্যজনকভাৱে মৃত্যু হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাতদিনীয়া ৰাষ্ট্ৰীয়-ৰাজ্যিক শোক ঘোষণা

কৰাৰ উদ্দেশ্যে সাত দিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙলৈ বিনম্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰে ২৬ ডিচেম্বৰৰ পৰা ১ জানুৱাৰীলৈ ৭ দিনীয়া ৰাজ্যিক শোক পালন কৰিব। এই সময়ছোৱাত ৰাজ্য চৰকাৰৰ সকলো প্ৰতিষ্ঠানতে ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। সকলো চৰকাৰী মনোৰঞ্জনমূলক কাৰ্যসূচী এই সপ্তাহত বাতিল কৰা হৈছে। অসমৰ পৰা পাঁচবাৰকৈ সাংসদ হোৱাৰ লগতে দুটা কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত হিমন্ত বিশ্ব শৰ্মাৰো ঘনিষ্ঠ আছিল ডঃ মনমোহন সিং। কংগ্ৰেছত থকাকালত মনমোহন সিং আৰু হিমন্ত বিশ্ব শৰ্মাক বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অনুষ্ঠানত একেলগে দেখা যোৱাৰ লগতে অসমৰ বিভিন্ন অনুষ্ঠানত একেলগে দেখা গৈছিল। সেইগৰাকী মনমোহন সিং ৯২ বছৰ বয়সত মৃত্যুবৰণ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এটা পোষ্ট দি স্মৃতি ৰোমন্থন কৰিছে। ভাৰতৰ অৰ্থনৈতিক উদাৰীকৰণৰ স্থপতিবিদ হিচাপে স্মৰণ কৰা সিঙৰ বৃহস্পতিবাৰে দিল্লীৰ এইমছত মৃত্যু হয়। ভাৰতৰ অৰ্থনৈতিক বিকাশ আৰু গোলকীয় স্থিতিৰ প্ৰতি অৱদানৰ ফল সমগ্ৰ দেশে লাভ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই বিশেষ ফটো শ্বেয়াৰ কৰি ১৯৯১ চনৰ পৰা ডঃ মনমোহন সিং ডাঙৰীয়াৰ সান্নিধ্যৰ সৌভাগ্য লাভ কৰিছিলো বুলি কয়। হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া পোষ্টত কয় "১৯৯১ বৰ্ষতে প্ৰথমবাৰৰ বাবে অসমৰ পৰা তেখেত ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে তেখেতে ২৮ বছৰ ধৰি প্ৰতিনিধিত্ব কৰিছিল। ডঃ সিং বিনম্ৰতা আছিল অলংকাৰ। ব্যক্তিগতভাৱে তেখেতৰ সৈতে হোৱা প্ৰতিটো বাৰ্তালাপত সৰলতা, শালীনতা আৰু বৌদ্ধিক দক্ষতাৰ উমান পাইছিলো। বিশেষকৈ প্ৰধানমন্ত্ৰী হিচাপে ডঃ সিঙৰ কাৰ্যকালত মই তেখেতৰ সৈতে অসম সম্পৰ্কীয় বিষয়সমূহৰ সন্দৰ্ভত কেইবাবাৰো বাৰ্তালাপ কৰাৰ সুযোগ পাইছিলো আৰু তেখেতে সদায় ধৈৰ্য আৰু একাগ্ৰতাৰে আমাৰ কথা শুনি দিহা দিছিল আৰু সামাজিক সমস্যাবোৰৰ প্ৰতি এক দৃঢ় দায়বদ্ধতা প্ৰদৰ্শন কৰিছিল। বিভাজনৰ পাছৰ ভাৰতক জন্মলগ্নৰে পৰা দেখা দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও বিশিষ্ট পদত দেশলৈ সেৱা আগবঢ়াইছিল। মুক্তবজাৰ অৰ্থনীতি আৰম্ভ কৰা আৰু দশকজুৰি প্ৰতিক্ৰিয়াশীল সমাজতান্ত্ৰিক নীতিৰ সমাপ্তিৰ ক্ষেত্ৰত তেখেতৰ গুৰুত্বপূৰ্ণ ভূমিকাক ভাৰতৰ উত্তৰ প্ৰজন্মই সদায় স্মৰণ কৰিব। তেখেতৰ পৰলোক গমনত ৰাষ্ট্ৰই এগৰাকী মহান দেশপ্ৰেমী, বিদগ্ধ পণ্ডিত, এগৰাকী অগতানুগতিক ৰাজনীতিবিদক হেৰুৱালে। এই মুহূৰ্তত তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনাৰ লগতে গুৰচৰণ বাইদেউ আৰু পৰিয়ালবৰ্গ-শুভাকাংক্ষীলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো।" কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাৰতৰ অৰ্থনৈতিক পুনৰুত্থানৰ ওপৰত সিঙৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰি সামাজিক মাধ্যমত পোষ্ট দিয়ে। সোণোৱালে কয় যে নম্ৰতা আৰু বৃত্তিক মূৰ্ত কৰি তুলিছিল। যাৰ ফলত ভাৰতৰ প্ৰগতিত এক অমলিন ছাপ পৰিছিল। ৰাইজৰ দল আৰু অজাপই সিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। দুয়োটা দলে কয় যে সিঙৰ পৰিৱৰ্তনশীল নীতিক প্ৰশংসা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰদ্ধাঞ্জলি দিবলৈ দিল্লীত প্ৰদেশ কংগ্ৰেছ

দলটোৰ প্ৰয়াত নেতাগৰাকীৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ সৈতে আত্মিক সম্পৰ্ক থকা চৰ্দাৰ মনমোহন সিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ যোৱা দলটোক নেতৃত্ব দিয়া ভূপেন বৰা সহিতে আটাইকেইগৰাকীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰি মনমোহন সিঙক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিশিষ্ট অৰ্থনীতিবিদ, অসমৰ পৰা পাঁচবাৰকৈ ৰাজ্যসভাৰ সাংসদ ডঃ মনমোহন সিংৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে নতুন দিল্লীৰ ডঃ সিঙৰ বাসগৃহত উপস্থিত হৈ কংগ্ৰেছৰ দলটোৱে তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে মনমোহন সিঙৰ পৰিয়ালক কিছু সময়ৰ বাবে সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত ডঃ মনমোহন সিঙৰ শোক সন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰি আত্মাৰ সদ্গতি কামনা কৰে। দলটোত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ লগতে বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন, কংগ্ৰেছ নেত্ৰী, ৰজলীনা তিৰ্কীও উপস্থিত আছিল। ইপিনে যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি গৌৰৱ গগৈয়ে অকলে গৈছিল মনমোহন সিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ। ভূপেন বৰাৰ নেতৃত্বৰ দলটোৰ সৈতে নগৈ গৌৰৱ গগৈয়ে মনমোহন সিঙৰ ঘৰলৈ যায়। ভূপেন বৰাৰ নেতৃত্বৰ সৈতে নগৈ গৌৰৱ গগৈয়ে অকলে যোৱাত দিল্লীত থকা কংগ্ৰেছৰ দলটো অসহজ হৈ পৰা বুলি জানিব পৰা গৈছে। অসমৰ আটাইকেইগৰাকী প্ৰতিনিধিয়ে একেলগে যোৱাৰ বিপৰীতে গৌৰৱ গগৈয়ে অকলে যোৱা বিষয়টোক লৈ দিল্লীত বাহৰ পাতি থকা অসম কংগ্ৰেছৰ দলটোৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বুলি দাবী কৰিছে এটা বিশ্বস্ত সূত্ৰই। গৌৰৱ গগৈয়ে ভূপেন বৰাৰ নেতৃত্বক মানি নোলোৱা বুলি সময়ে সময়ে উত্থাপিত অভিযোগ সঁচা নেকি বুলিও চৰ্চা হ'বলৈ ধৰিছে। আনহাতে আজি নতুন দিল্লীত অনুষ্ঠিত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠকত গৌৰৱ গগৈৰ মতামতক তীব্ৰ বিৰোধ কৰে ৰাহুল গান্ধী আৰু কে.চি বেণুগোপালে। গৌৰৱ গগৈয়ে কংগ্ৰেছে মিডিয়াত 'নেৰিটিভ' সৃষ্টি কৰাত বিফল হোৱাৰ কথা উল্লেখ কৰিছিল। সেই কথা মানি ন'ললে নিখিল ভাৰত কংগ্ৰেছৰ মুখ্য সাংগঠনিক সম্পাদক কে. চি. বেণুগোপাল আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে।

# গুৱাহাটীত প্ৰতিমূৰ্তি স্থাপন, বঁটা ঘোষণা কৰিবলৈ দাবী! সূৰ্য দাসৰ ঘৰত অনুসূচিত জাতিৰ সংগঠনৰ প্ৰতিনিধি

**ই-সংবাদ, ২৭ ডিচেম্বৰঃ** অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নেতৃত্বত অনুসূচিত জাতিৰ সংগঠনসমূহৰ এটা প্ৰতিনিধি দলে যোৱা ২৬ ডিচেম্বৰত গণশিল্পী সূৰ্য দাসৰ গুৱাহাটীৰ ঘৰলৈ গৈ গণশিল্পীগৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰে। বামুণীমৈদামৰ বাসগৃহত উপস্থিত হৈ কেইবাটাও সংগঠনৰ নেতৃত্বই শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰাৰ লগতে পৰিয়ালক শোক প্ৰস্তাৱ প্ৰদান কৰে। সংগঠনৰ নেতৃত্বৰ সৈতে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে সদ্য বৈকুণ্ঠগামী গণশিল্পী সূৰ্য দাসৰ ঘৰলৈ গৈ



শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে। সঞ্জীৱ দাসে জীৱিতকালত গণশিল্পী সূৰ্য দাসে যি সন্মান পাব লাগিছিল সেই সন্মান নোপোৱা বুলি কৈ উদ্বেগ প্ৰকাশ কৰি মৰণোত্তৰভাৱে সন্মান প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়। গুৱাহাটী চহৰত সূৰ্য দাসৰ এটা আৱক্ষ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ লগতে গণশিল্পীগৰাকীৰ নামত এটা বঁটা ঘোষণা কৰিবলৈ চৰকাৰক দাবী জনায়। দাসে আৰু কয় যে জাতিটোৰ সংকটৰ সময়ত সবল কণ্ঠ হৈ থিয় দিয়া, মাটি আৰু মানুহৰ গান গোৱা গণশিল্পী সূৰ্য্য দাস অসমীয়া জাতিৰ বজ্ৰকণ্ঠ আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ বিদ্ৰোহ বঞ্চিত বিজেপিৰ

জ্বলিছে। কেৱল জুই বৰঘৰতে জ্বলি থকা নাই। ফিৰিঙতি হৈ ছিটিকিবলৈ আৰম্ভ কৰিছে। যিকোনো মুহূৰ্তত ফিৰিঙিতিৰ পৰা খাণ্ডৱ দাহ সংঘটিত হ'ব পাৰে। চাৰিটা দশক ধৰি বিজেপি কৰি থকা জ্যেষ্ঠ নেতা দলটোত এতিয়া লেই লেই ছেই ছেই। কালি কংগ্ৰেছত টিঘিল ঘিলাই থকা নেতাই আজি বিজেপিক কব্জা কৰিছে। যি কথাৰ পৰা পুৰণি বিজেপিৰ আঘাত ক্ৰমাৎ বাঢ়িব ধৰিছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা পুৰণি বিজেপি নেতা ৰাজেন গোঁহাইৰ নেতৃত্বত মুকলি বিদ্ৰোহ আৰম্ভ হৈছে। আজি উজনি-নামনি ঘুৰিবলৈ আৰম্ভ কৰি পুৰণি আৰু বঞ্চিত নেতাক একত্ৰিত কৰাত লাগিছে গোহাঁই। বুধবাৰে ডিমৌত, বৃহস্পতিবাৰে ডিব্ৰুগড়ত বৈঠক কৰিছিল গোহাঁয়ে। সভাত বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল গোহাঁয়ে। বিজেপিক ঔপনিৱেশিক আখ্যা দি অসমক লুটি-পুটি খোৱাই লক্ষ্য বুলি কৈছিল। দিল্লীৰ নেতাই যি পাঠ দিব তাকেই কৰে। নামানিলে শাসন যাব। ঔপনিবেশিক শাসন বুলি কয়, যেনে ব্ৰিটিছৰ শাসন। অসমত যি আছে নি খাব লাগে। ভাষণ প্ৰদান কৰি ৰাজেন গোহাঁয়ে নতুন আঞ্চলিক দল গঠনৰ পোষকতা কৰিছিল। অসম গণ পৰিষদ, জাতীয় পৰিষদ, ৰাইজৰ দল গঠন হৈছে। আৰু এটা দল আমাৰো গঠন হ'ব পাৰে বুলি অকপটে স্বীকাৰ কৰিছিল। বিজেপিক ঔপনিৱেশিক, ইংৰাজৰ দৰে অসমক লুণ্ঠন কৰিছে, শোষণ কৰিছে বুলি কোৱা গোহাঁয়ে আজি ধেমাজি জিলাৰ গোগামুখত বিজেপি নেতা-কৰ্মীৰে বৈঠক অনুষ্ঠিত কৰিছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক নেতৃত্বক কথাবোৰ বহুবাৰ কোৱা বুলি উল্লেখ কৰি ৰাজেন গোঁহায়ে কয় যে মই কাৰ্য-কৰ্তাৰ সপক্ষে বহুবাৰ কৈছো। মই ৰাজ্যিক পৰ্যায়ৰ নেতা, কেন্দ্ৰীয় পৰ্যায়ৰ নেতাক কথাবোৰ কৈছো। তেওঁলোকৰ প্ৰতি কাণসাৰ নাই। বহু কৰ্মীৰে সৈতে মোৰ সঘন যোগাযোগ হয়। তেওঁলোকে ভুল সিদ্ধান্ত ল'বলৈ গৈ আছে। তেওঁলোকে বেলেগত যোগদান কৰিম বুলি কয়। এইসকল ব্যক্তি গুছি গ'লে আমাৰ দলটো দুৰ্বল হৈ যাব। এবাৰ দুৰ্বল হৈ গ'লে তাক পুনৰ উদ্ধাৰ কৰাটো কঠিন হৈ পৰিব। যদি গুছি যায় কাইলৈ কংগ্ৰেছ পুনৰ ক্ষমতালৈ আহিব পাৰে। কংগ্ৰেছ ক্ষমতালৈ আহিলে ডাঙৰ ক্ষতি। সেইকাৰণে মই পুৰণি বিজেপিৰ কৰ্মীৰ ওচৰলৈ আহিছো। অলপ ধৈৰ্য্য ধৰিবলৈ কৈছো। এতিয়াই কোনো সিদ্ধান্ত ল'ব নালাগে বুলি কৈছো। ইপিনে আমাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতৃত্বক অৱগত কৰিলে এইখিনি মানুহে ন্যায় পাব পাৰে বুলি কৈ গোহাঁয়ে কয় যে বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতি নিয়োগ কৰালৈ ৰ'বলৈ কৈছো। ৰাজেন গোহাঁয়ে কয় যে সেই দিনটোলৈ এওঁলোকক মই ৰাখিব দিছো। আৰু যদি তাৰ পিছতো একো নহয় তেন্তে এওঁলোকে সিদ্ধান্ত ল'ব। যদি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি পদত ভাল মানুহে আহে তেন্তে ন্যায় পাব, নহ'লে তোমালোকে যি সিদ্ধান্ত লোৱা ল'বা। ৰাজেন শিবিৰ বুলি একো নাই বুলি দাবী কৰি প্ৰাক্তন সাংসদজনে কয় যে পুৰণা-নতুন সকলোৰে মোৰ আপোন। পুৰণিখিনিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা বুলি দাবী কৰি গোঁহায়ে কয় যে পুৰণিখিনিৰ মই ত্যাগ, কষ্ট দেখা পাইছো। গোহাঁয়ে আৰু কয় যে মোৰ নেতৃত্বৰ দিনত বহু কৰ্মীয়ে সকলো ত্যাগ কৰি বহুত কষ্ট কৰিছে। সেইসকলক মই জানো আৰু সেইসকলে প্ৰাপ্য অধিকাৰ পোৱাটো উচিত। সেই কাৰণে মই ফাইট কৰি আছো। বিধায়ক, সাংসদ হোৱাৰ উদ্দেশ্যে নাই বুলি স্পষ্ট কৰি দল ভাল পাও, কৰ্মীক ভাল পাও বুলি কয় গোহাঁয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিএমডব্লিউ নহয়, মনমোহন সিঙৰ

কৰা আচৰণে ডাঙৰ মানুহকজনক দেৱতুল্য কৰি তোলে। ভাৰতৰ ইতিহাসত বহু এনে ৰাজনেতা আছে যাৰ ব্যৱহাৰে ওচৰে-পাজৰে থকাসকলক বাৰুকৈয়ে বিমুগ্ধ কৰে। তেনেই এগৰাকী নেতাক দেশে হেৰুৱালে। সেইগৰাকী নেতা হৈছে চৰ্দাৰ ডঃ মনমোহন সিং। বিশ্বৰ বিশিষ্ট অৰ্থনীতিবিদ, ভাৰতৰ অৰ্থনীতিত নৱ জাগৰণৰ সৃষ্টি কৰা ডঃ মনমোহন সিং দেশৰ নীতি নিৰ্ধাৰণ কৰা বিত্তীয় প্ৰতিষ্ঠান ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ, দেশৰ বিত্তমন্ত্ৰী, প্ৰধানমন্ত্ৰী পদ চম্ভালিছিল। নম্ৰ, অল্পভাষী অৰ্থশাস্ত্ৰৰ পণ্ডিতজনে বিভিন্ন গুৰুত্বপূৰ্ণ পদবী চম্ভালাৰ সময়ত তেওঁক প্ৰদান কৰা সচিব, দেহৰক্ষী আদিৰ সৈতে সন্মানজনক সম্পৰ্ক ৰক্ষা কৰিছিল। ক্ষমতাশালী পদবীধাৰী হোৱাৰ পিছতো কাকোৰেই ৰূঢ় ব্যৱহাৰৰ নকৰা চৰ্দাৰ মনমোহন সিঙে সৰ্বদা সকলোকে সমভাৱেৰে আচৰণ কৰিছিল। যিসকলে তেখেতৰ সুৰক্ষাৰ দায়িত্বত আছিল তেওঁলোকৰ সতি-সন্ততি, পৰিয়ালৰ খবৰ পৰ্যন্ত ৰাখিছিল মনমোহন সিঙে। যাৰ প্ৰমাণ পোৱা গৈছে তেখেতৰ মৃত্যুৰ পিছতে। তেখেতৰ মুখ্য দেহৰক্ষী হিচাপে থকা দুগৰাকী লোকে ফটো শ্বেয়াৰ কৰি তেখেতৰ স্মৰণ কৰিছে। সাধাৰণ এনে পৰিঘটনা অতি কম দেখা যায়। প্ৰাক্তন নিৰাপত্তাৰক্ষী অসীম অৰুণ আৰু অসমৰ বৰ্তমান ডিজিপি তথা একালত মনমোহন সিঙৰ নিৰাপত্তাৰ দায়িত্বত থকা জিপি সিঙে মনমোহন সিঙক সম্পণ কৰিছে। অৰ্থনীতিবিদৰ পৰা ৰাজনীতিবিদ হোৱা সৰল মনৰ মনমোহন সিঙৰ মাত্ৰ এখন গাড়ী আছিল সেয়াও মাৰুতি-৮০০। ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰাক্তন বিষয়া তথা মনমোহন সিঙৰ প্ৰাক্তন নিৰাপত্তাৰক্ষী অসীম অৰুণ প্ৰধানমন্ত্ৰী হিচাপে মনমোহন সিঙৰ কাৰ্যকালত বিশেষ সুৰক্ষা গোটৰ (এছপিজি) মুৰব্বী আছিল। অসীম অৰুণে প্ৰয়াত নেতাজনৰ মাৰুতি ৮০০ৰ প্ৰতি থকা গভীৰ আসক্তিৰ কথা স্মৰণ কৰি সৰলতাক উপস্থাপন কৰিছে। বৰ্তমান উত্তৰ প্ৰদেশৰ কনৌজ সদৰৰ বিধায় অসীম অৰুণে বৃহস্পতিবাৰে নিশা মনমোহন সিঙৰ মৃত্যুৰ পিছতে ছ'চিয়েল মিডিয়া এক্সত স্মৃতি ৰোমন্থন কৰি এটা পোষ্ট দিছে। অসীম অৰুণে কৈছে যে ২০০৪ চনৰ পৰা প্ৰায় তিনি বছৰ মই তেওঁৰ নিৰাপত্তাৰক্ষী আছিলো। প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ বাবে এছপিজিৰ নিৰাপত্তা বৃত্ত ক্ল'জ প্ৰটেকচন টিমৰ নেতৃত্ব দিয়াৰ সুযোগ পাইছিলো। এআইজি চিপিটি এনে এজন ব্যক্তি যিয়ে কেতিয়াও প্ৰধানমন্ত্ৰীৰ পৰা আঁতৰি থাকিব নোৱাৰে। যদিহে প্ৰধানমন্ত্ৰীৰ লগত এজন দেহৰক্ষীহে যাব পাৰিলেহেঁতেন, তেন্তে সেইজন ব্যক্তি হ'লহেঁতেন ক্ল'জ প্ৰটেকচন টিমৰ নেতৃত্ব দিয়া ব্যক্তিজন। গাৰ ছাঁৰ দৰে থকাটো মোৰ দায়িত্ব আছিল। ডাঃ চাহেবৰ নিজা এখন গাড়ী আছিল মাৰুতি ৮০০। যিখন আগতে প্ৰধানমন্ত্ৰীৰ আৱাসত এখন জিলিকি থকা ক'লা বিএমডব্লিউৰ পিছফালে ৰখাই থোৱা আছিল। মনমোহন সিং চাহাবে মোক প্ৰায়ে কৈছিল "অসীম মই এই গাড়ীত (বিএমডব্লিউ) চলাবলৈ ভাল নাপাওঁ। মোৰ গাড়ী এইখন মাৰুতি।" মই তেওঁক বুজাইছিলো যে ছাৰ, এই গাড়ীখন আপোনাৰ গৌৰৱৰ বাবে নহয়। এছপিজিয়ে সুৰক্ষা বৈশিষ্ট্যৰ বাবেই লৈছে বিএমডব্লিউ। কিন্তু কেতিয়াবা মাৰুতিখনৰ সন্মুখত পাৰ হৈ গ'লে সদায় সেইখনৰ ফালে মৰমেৰে চাইছিল। যেন নিজৰ দৃঢ় সংকল্পৰ আওৰাই তেওঁ কৈছে মই এজন মধ্যবিত্ত মানুহ আৰু সাধাৰণ মানুহৰ যত্ন লোৱাটো মোৰ কৰ্তব্য। আন এগৰাকী প্ৰাক্তন নিৰাপত্তাৰক্ষী তথা বৰ্তমানৰ অসমৰ ডিজিপি জিপি সিঙে কেবাখনো ফটো শ্বেয়াৰ কৰি সিঙক স্মৰণ কৰিছে। সিঙৰ লগতে সিঙৰ কন্যা আৰু পত্নীএ মনমোহন সিঙক স্মৰণ কৰি শ্ৰদ্ধা জনাইছে। জিপি সিঙে মনমোহন সিঙৰ সুৰক্ষা বিষয়া হিচাপে কৰ্মৰত হৈ থকাৰ সময়তে পৰিয়ালক মনমোহন সিং আৰু পত্নীৰ সৈতে সাক্ষাৎ কৰিছিল। জিপি সিঙৰ কন্যা, পত্নীৰ সৈতে কথা পাতিছিল। সেই সময়ত কেইবাখনো ফটো জিপি সিঙৰ পৰিয়ালে সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। জিপি সিঙে খোদ কেবাখনো ফটো শ্বেয়াৰ কৰিছে মনমোহন সিঙৰ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কিশোৰী-যুৱকৰ মৃতদেহ লুইতত উদ্ধাৰ

এগৰাকী ১৩ বছৰীয়া ছাত্ৰীক অপহৰণ কৰি নি হত্যা কৰাৰ সন্দেহ কৰা হৈছে। গুৱাহাটীৰ লাষ্টগেটৰ নাহৰণি পথত ঘাটক প্ৰেমিক ভূপেন দাসে মৌচুমী গগৈ নামৰ মহিলাক দিন-দুপৰতে ডেগাৰ মাৰি হত্যা কৰাৰ চাঞ্চল্য মাৰ নৌযাওতেই এইবাৰ এহাল যুৱক-যুৱতীৰ মৃতদেহ বৰলুইতৰ ঘাটত উদ্ধাৰ হয়। আজি পুৱাই গুৱাহাটীৰ মহানগৰীৰ গাড়ীগাঁৱত বৰলুইতৰ ঘাটত একাংশ লোকে একেলগে দুটা মৃতদেহ প্ৰত্যক্ষ কৰি স্থানীয় আৰক্ষীক খবৰ দিছিল। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ব্ৰহ্মপুত্ৰত উদ্ধাৰ হোৱা মৃতদেহ দুটাৰ এটা অপহৃত ছাত্ৰী জুহি দাস আৰু আনটো স্কুলভান চালক হীৰকজ্যোতি দাসৰ বুলি চিনাক্ত কৰা হৈছে। ছাত্ৰী জুহি দাসৰ বয়স মাথোঁ ১৩ বছৰ আৰু অষ্টম শ্ৰেণীত পঢ়ি আছিল বুলি জানিব পৰা গৈছে। গাড়ীগাঁৱৰ পৰা মঙলবাৰৰ সন্ধিয়া নিৰুদ্দেশ হৈ আছিল ছাত্ৰী জুহি দাস। হীৰকজ্যোতিৰ স্কুলভানত অহা-যোৱা কৰিছিল জুহি। চালক হীৰকজ্যোতি দাসে ছাত্ৰীগৰাকীক অপহৰণৰ অভিযোগ আনিছিল পৰিয়ালে। ২৪ ডিচেম্বৰৰ পুৱতি নিশা গাড়ীগাঁৱৰ লুইতপাৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰীগৰাকী স্কুল ভানচালক হীৰকৰ সৈতে ওলাই গৈছিল। হীৰক আৰু জুহিৰ একেলগে থকাৰ দৃশ্য উদ্ধাৰ হৈছিল চিচিটিভিত। এই বিষয়ত জালুকবাৰী আৰক্ষী চকীত এজাহাৰ দিছিল পৰিয়ালে। আৰক্ষীয়ে ঘটনাক গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালে। ঘটনাক লৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও স্থানীয় লোকে জুহি দাস আৰু ভান চালক হীৰকক হত্যা কৰাৰ সন্দেহ কৰিছে। এতিয়াচালক হীৰকে জুহিক হত্যা কৰি নিজেই আত্মহত্যা কৰিলে নে অইন কোনো দুৰ্বৃত্তই দুয়োকে হত্যা কৰিলে সেয়া স্পষ্ট হোৱা নাই। কিন্তু দুয়োটা পৰিয়ালে দুয়োকে হত্যা কৰাৰ অভিযোগ আনিছে। হীৰকৰ পৰিয়ালে দুই বন্ধুৰ নামো লৈছে। অপহৰণ কৰা বুলি অভিযোগ উঠা হীৰক আৰু জুহিৰ একেলগে মৃতদেহ উদ্ধাৰৰ ঘটনাক লৈ সন্দেহৰ সৃষ্টি হৈছে। হীৰক বিবাহিত আছিল আৰু এটি কণমানি সন্তানৰ পিতৃ। ইপিনে নাহৰণি পথৰ প্ৰেমিকাক হত্যা কৰি নিজেও আত্মহত্যা কৰাৰ প্ৰয়াস কৰা অহৌবলিয়া ভূপেন দাস বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈ আছে। কিন্তু এই ভয়ংকৰ কাণ্ডৰ জল্পনা-কল্পনা অব্যাহত আছে। জানিব পৰা মতে, ভূপেন দাস আৰু মৌচুমী গগৈ দুয়োজন বিবাহিত আছিল। কিন্তু মৌচুমী গগৈৰ স্বামীৰ মৃত্যু হৈছে। গুৱাহাটীৰ বশিষ্ঠত ভাড়াতীয়া হিচাপে থকা পেচাত চালক ভূপেন দাসে পত্নী আৰু দুই সন্তান আছে। গাড়ী চলাই পৰিয়াল চলাই আহিছিল। কিন্তু হঠাতে পুনৰবাৰ প্ৰেমত পৰিছিল চালক ভূপেন। টিংখাঙৰ নলনী কপহুৱা গাঁৱৰ মৌচুমী গগৈয়ে ২০১৫ চনত টিংখাঙৰে ন চাউদাং গাঁৱৰ আৰক্ষীত চাকৰি কৰা প্ৰভাকৰণ চেতিয়াৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। ২০১৯ চনত স্বামী এক পথ দুৰ্ঘটনাত স্বামী প্ৰভাকৰণ চেতিয়াৰ মৃত্যু হয়। স্বামীৰ মৃত্যুৰ সময়ত এটি তিনি বছৰীয়া কন্যা সন্তানৰ মাতৃ আৰু আন এটি সন্তান গৰ্ভত আছিল। স্বামীৰ মৃত্যুৰ প্ৰায় এমহাৰ পাছতে মৌচুমীয়ে দ্বিতীয় কন্যা সন্তানৰ মাতৃ হয়। কিন্তু দ্বিতীয় কন্যাৰ মৃত্যু হয়। ২০২১ বৰ্ষতে স্বামী গৃহ ত্যাগ কৰি মৌচুমী গুৱাহাটীলৈ অহাৰ পিছতে লগ পাইছিল চালক ভূপেনক। তেতিয়াৰ পৰাই দুয়োৰে মাজত গভীৰ সম্পৰ্ক গঢ়ি উঠিছিল। গুৱাহাটীলৈ অহাৰ পাছৰে পৰা কন্যাৰ সৈতেও সম্পৰ্ক ছেদ কৰিছিল মৌচুমীয়ে। মৌচুমীৰ মৃত্যুৰ পিছতে স্বামীৰ পৰিয়াল ততা শাহুৱেকে গুৰুতৰ অভিযোগ আনিছে। মৌচুমীৰ জীৱন পিতৃয়ে ধ্বংস কৰাৰ অভিযোগ আনিছে। মাতৃৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতো জ্যেষ্ঠ কন্যাই প্ৰতিক্ৰিয়া নাই বুলি কয় শাহুৱেকে। শাহুৱেকৰ মতে, দীৰ্ঘ দিনৰ পিছত মৌচুমীয়ে এপ্ৰিল মাহত শেষবাৰৰ বাবে সাক্ষাৎ কৰিছিল। বৃহস্পতিবাৰে মাতৃৰ মৃত্যুৰ খবৰ পোৱাৰ পাছতো ডাঙৰ কন্যাৰ কোনো ধৰণৰ প্ৰতিক্ৰিয়া নাই বুলি সদৰী কৰে মৌচুমীৰ শাহুৱেকে। মৌচুমীৰ শাহুৱেকৰ অভিযোগ, মৌচুমীৰ পিতৃয়ে মৌচুমীৰ স্বামী ঘৰৰ পৰা মাতি লৈ গৈছিল আৰু পিতৃয়ে মৌচুমীৰ জীৱন শেষ কৰিলে। ইপিনে পৰিয়ালে মৌচুমীৰ মৃতদেহ পৰিয়ালে টিংখাঙৰ বাসগৃহলৈ নিনিয়াৰ সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। মৌচুমীৰ ভাতৃয়ে এই কথা প্ৰকাশ কৰাৰ লগতে ভূপেন দাসৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। নৱগ্ৰহ শ্মশানত মৌচুমীৰ মৃতদেহ শেষকৃত্য সম্পন্ন কৰা হয়। গুৱাহাটীত নিতৌ এতিয়া নাৰীজনিত অপৰাধ সংঘটিত হ'ব ধৰিছে। ছেপ্টেম্বৰ মাহত গুৱাহাটীৰ চন্দ্ৰপুৰত যুৱতীৰ হত্যা কৰি পেলাই দিয়াৰ অভিযোগ উঠিছিল। এমাহ পূৰ্বে গুৱাহাটীৰ ভাস্কৰ নগৰত নাজমা খাতুন নামৰ মহিলাক হানি-খুঁচি হত্যা কৰাৰ অভিযোগ উঠিছিল। কেৱল এটা দুটা নহয় প্ৰায়ে মহিলাৰ সৈতে ভয়ংকৰ কাণ্ড সংঘটিত হয় গুৱাহাটী মহানগৰীত। আৰক্ষী প্ৰশাসনক দুৰ্বৃত্তই ভয় নকৰাৰ ফলতে এনে ঘটনা সমূহ সংঘটিত হ'ব ধৰিছে নেকি তাকে লৈ চিন্তিত হৈছে সচেতন নাগৰিক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাহ শ্ৰমিকৰ প্ৰতিবাদ, উত্তাল ধোদৰ

আলি অৱৰোধ কৰা হয়। চৰাইদেউ চাহ বাগিচাৰ কেইবা শতাধিক শ্ৰমিক, কৰ্মচাৰীৰ দ্বাৰা আজি পুৱা প্ৰায় দুঘণ্টা এই পথ অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী, শ্ৰমমন্ত্ৰীকে ধৰি সংশ্লিষ্ট সকলো পক্ষকে আবেদন নিবেদন কৰিও সুফল লাভ নকৰাত দুবছৰে বন্ধ হৈ থকা বাগিচাখন খোলাৰ ব্যৱস্থা কৰিবলৈ ২১ ডিচেম্বৰত সংবাদমেলৰ জৰিয়তে ২৬ ডিচেম্বৰলৈ সময় সীমা বান্ধি দিছিল যদিও প্ৰশাসন তথা সংশ্লিষ্ট কোনোৰে গুৰুত্ব নিদিয়াত বাগিচাৰ সহস্ৰাধিক শ্ৰমিক-কৰ্মচাৰী ওলাই আহি বাগিচাৰ পৰা ৩ কিঃ মিঃ সমদল কৰি দ'লবাগানত ধোদৰ আলি অৱৰোধ কৰে। চৰাইদেউ জিলাৰ আৰক্ষীয়ে পাইলট বাহনেৰে পথ মুকলি কৰাৰ চেষ্টা কৰাত শ্ৰমিকসকল পথৰ মাজত বহি-শুই দিয়াত আৰক্ষী বিফল হয়। অৱশেষত চৰাইদেউৰ দণ্ডাধীশৰ অনুৰোধত পথ মুকলি কৰি লক্ষী মন্দিৰ খেল পথাৰত এক আলোচনাত মিলিত হয়। যেতিয়ালৈকে বাগিচা মুকলিৰ সমস্যা সমাধান নহ'ব তেতিয়ালৈকে আন্দোলন চলাই যোৱাৰ হুংকাৰ দিয়ে শ্ৰমিক-কৰ্মচাৰীসকলে। উল্লেখ্য যে অসমৰ অন্যতম পুৰণি চাহ বাগিচা, চৰাইদেউ পৰ্বত চাহ বাগিচাখন বিগত দুটা বছৰ কাল বন্ধ কৰাৰ ফলত বৰ্তমান সংস্থাপনহীন হৈ পৰা কেইবা হাজাৰ শ্ৰমিক-কৰ্মচাৰীয়ে আজি দুটা বছৰে জীৱন মৰণৰে যুঁজি সংগ্ৰাম কৰিবলগীয়া হৈছে। পশ্চিমবংগৰ চাহ উদ্যোগিক প্ৰতিষ্ঠান দাৰ্জিলিং অৰ্গেনিক টি ইষ্টেট প্ৰাইভেট লিমিটেডৰ মালিকানাধীন চৰাইদেউ পৰ্বত চাহ বাগিচাখন সংশ্লিষ্ট চাহ কোম্পানীটোৱে বেংকৰ পৰা লোৱা বৃহৎ পৰিমাণৰ ঋণৰ ধন পৰিশোধ নকৰাৰ পৰিপ্ৰেক্ষিতত নেচনেল কোম্পানী ল' ট্ৰিবিউনেলৰ কলকাতা বেংকে ২৮/১০/২০২২ তাৰিখৰ গোচৰৰ ভিত্তিত দাৰ্জিলিং অৰ্গেনিক টি ইষ্টেট লিমিটেডক দেউলীয়া ঘোষণা কৰি ইয়াৰ মালিকানাধীন চৰাইদেউ পৰ্বত চাহ বাগিচাৰ লগতে অসম আৰু দাৰ্জিলিংস্থিত আন কেইবাখনো বাগিচাৰ সকলো সম্পত্তি ২০২২ বৰ্ষৰ ৩ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ ঋণ লোৱা বেংকৰ অধীনলৈ নিয়ে। লগে লগে বাগিচাখনৰ সকলো কাম-কাজ স্থবিৰ হৈ পৰে। ফলশ্ৰুতিত বাগিচাখনত কৰ্মৰত প্ৰায় চল্লিশ গৰাকী কৰ্মচাৰী আৰু প্ৰায় দুহেজাৰ স্থায়ী, অস্থায়ী শ্ৰমিক সংস্থাপনহীন হৈ পৰে। কিন্তু জীৱন -যাপন কৰিবলৈ বাগিচাখনৰ শ্ৰমিক কৰ্মচাৰীসকলে তেওঁলোকৰ অনাদায় হৈ থকা দৰমহা মোকলাই দিয়া, অৱসৰ গ্ৰহণ কৰা বহু সংখ্যক শ্ৰমিক-কৰ্মচাৰীৰ গ্ৰেচুইটিৰ ধন আদায় দিয়া, শ্ৰমিক কৰ্মচাৰীৰ ৰেচন, চিকিৎসা ভাট্টা আদি আদায়ৰ দাবীত সৰৱ হৈ ২০২৩ বৰ্ষৰ ২৯ জুলাইত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতেই বাগিচাখনৰ কৰ্তৃপক্ষই উক্ত দিনা বিয়লিৰে পৰা কাৰ্যকৰী হোৱাকৈ বাগিচাখনত লক আউট ঘোষণা কৰে। সেইদিনাৰ পৰা বাগিচাখনৰ শ্ৰমিক-কৰ্মচাৰীসকলৰ জীৱন-জীৱিকাৰ প্ৰতি চৰম প্ৰত্যাহ্বান নামি আহে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰন্থৰ উমেৰে উমাল খানাপাৰ

ইতিহাস আছে, এই ভাষা যে অতি সু-প্ৰাচীন এই কথা প্ৰতিপন্ন কৰিলে ধ্ৰুপদী স্বীকৃতিয়ে। মহাৰাজা পৃথু, কুমাৰ ভাস্কৰ বৰ্মনৰ প্ৰাচীন কামৰূপৰ ইতিহাসেৰে অসমীয়া ভাষা সমৃদ্ধ। কিন্তু কামৰূপ যেন কিছু পৰিমাণে ইতিহাস বিচাৰৰ দিশৰ পৰা বঞ্চিত হৈ আছিল। শেহতীয়াকৈ কামৰূপৰ বুৰঞ্জী আৰু অসমীয়া ভাষাক লৈ নতুন ধৰণৰ গৱেষণা আৰম্ভ হৈছে।"— বহু প্ৰতীক্ষিত অসম গ্ৰন্থমেলা, গুৱাহাটীৰ উদ্বোধনী সভাত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি আজি খানাপাৰাস্থিত পশুচিকিৎসা মহাবিদ্যালয় খেলপথাৰত এনেদৰে কয় শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত আয়োজন কৰা গ্ৰন্থমেলাখনে ৰাজ্যখনত অধ্যয়ন সংস্কৃতি গঢ়ি তোলা বুলি উল্লেখ কৰি তেওঁ কয় যে সম্প্ৰতি ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। অসম গ্ৰন্থমেলাৰ এই ক্ষেত্ৰত ভূমিকা অতি গুৰুত্বপূৰ্ণ। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সমান্তৰালভাৱে অন্য সংস্থা-সংগঠন-সংঘ আদিয়েও বিভিন্ন প্ৰান্তীয় অঞ্চলত গ্ৰন্থমেলা অনুষ্ঠিত কৰিছে। এয়া আমাৰ সমাজ-জীৱনৰ বাবে শুভ লক্ষণ। গ্ৰন্থ হৈছে সভ্য আৰু সফল জাতিৰ আধাৰ। ল'ৰা-ছোৱালীক আৰ্হি দেখুৱাবলৈ হ'লে অভিভাৱকে নিজেও পঢ়িব লাগিব। গ্ৰন্থ অধ্যয়নক এক অভ্যাস হিচাপে গঢ়ি তুলিব পাৰিলে গ্ৰন্থ আন্দোলন, অধ্যয়ন সংস্কৃতিয়ে ইতিবাচক গতি লাভ কৰিব। শৰীৰ ভালে ৰাখিবলৈ যেনেদৰে ব্যায়ামৰ প্ৰয়োজন, তেনেদৰে মানসিক স্বাস্থ্য ভালে ৰাখিবলৈ অধ্যয়নৰ প্ৰয়োজন। তেওঁ অসম গ্ৰন্থমেলা, গুৱাহাটী সাফল্যমণ্ডিত কৰিবলৈ সকলোপক্ষকে আহ্বান জনায়। সভাখনত বিশিষ্ট অতিথিৰূপে অংশ লৈ "দ্য ফেডাৰেশ্যন অৱ পাব্লিচাৰ্ছ এণ্ড বুক ছেলাৰ্ছ এছ'চিয়েশ্যন ইন ইণ্ডিয়া"ৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘায়ে কয় যে গ্ৰন্থমেলা হৈছে বৌদ্ধিক পৰিৱেশ নিৰ্মাণৰ নিৰ্ভৰযোগ্য আধাৰ। অসম গ্ৰন্থমেলা, গুৱাহাটীৰ পৰিৱেশ দেখি মন ভৰি পৰিছে। এই সুন্দৰ পৰিৱেশত গ্ৰন্থমেলাই নিশ্চয় সফলতা অৰ্জন কৰিব আৰু অধ্যয়ন সংস্কৃতিক সমৃদ্ধ কৰিব ।ইয়াত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে পশ্চিমবংগৰ বিশিষ্ট লেখক, সাংবাদিক, ইতিহাসবিদ হিন্দোল সেনগুপ্তই। তেওঁ কয় যে অসমত গ্ৰন্থোৎসৱৰ বিশাল আয়োজন অভুতপূৰ্ব। গ্ৰন্থমেলা হৈছে মানুহক জ্ঞানেৰে একত্ৰিত কৰা সুন্দৰ উৎসৱ। অসম গ্ৰন্থমেলাৰ জৰিয়তে অসমৰ বৌদ্ধিক পৰিৱেশ নিশ্চয় সমৃদ্ধ হৈছে। কিতাপে মানুহৰ চিন্তাশৈলীক নতুনত্ব প্ৰদান কৰে। অসমৰ ইতিহাস লাচিত বৰফুকনৰ দৰে মহাবীৰৰ সোঁৱৰণীৰে উজ্জীৱিত হৈ আছে সদায়। মা কামাখ্যাৰ শক্তিপীঠ নীলাচলৰ ইতিহাসেৰে শক্তিশালী অসম। গ্ৰন্থ আৰু অধ্যয়নৰ পৰম্পৰাই অসমৰ জ্ঞান চৰ্চাৰ ঐতিহ্যক প্ৰতিনিধিত্ব কৰিছে । তেওঁ অসম গ্ৰন্থমেলা, গুৱাহাটীৰ সৰ্বোতোপ্ৰকাৰৰ সফলতা কামনা কৰে। উদ্বোধনী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। তেওঁ কয় যে বিগত ২০২১-২২ চনৰ পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই অসম গ্ৰন্থমেলা অনুষ্ঠিত কৰি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ আৰু শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰ শুভাকাংক্ষাৰ বাবেই এয়া সম্ভৱ হৈছে। লেখক-পাঠক-ক্ৰেতা আৰু প্ৰকাশকৰ সমন্বয় সাধন হয় গ্ৰন্থমেলাত। এই গ্ৰন্থমেলাতো নিশ্চয় সফলতাৰে এই কাম সম্পন্ন হ'ব। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাগত ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰাটো আমাৰ বাবে আনন্দৰ বতৰা। ইয়াৰ ফলত গ্ৰন্থ আন্দোলন নিশ্চয় তৰাম্বিত হ'ব। আজিৰ উদ্বোধনী সভাখনত অংশগ্ৰহণ কৰে অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সভাপতি নগেন শৰ্মা প্ৰমুখ্যে ভালে সংখ্যক গন্যমান্য ব্যক্তি, গ্ৰন্থপ্ৰেমীয়ে। অনুষ্ঠানটিৰ আঁত ধৰে প্ৰবোধ দাসে। গ্ৰন্থমেলাৰ উদ্বোধক, সন্মানীয় আৰু বিশিষ্ট অতিথিক গামোছা আৰু কিতাপৰ টোপোলাৰে আদৰণি জনোৱা হয়। সভাৰ প্ৰাৰম্ভতে সদ্যপ্ৰয়াত ড° মনমোহন সিঙৰ বিদেহ আত্মাৰ সদ্গতি কামনাৰে এক মিনিট মৌনতা অৱলম্বন কৰা হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত চৰকাৰে শোক সপ্তাহ ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত শিক্ষানুষ্ঠানৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতাৰ বাহিৰে গ্ৰন্থমেলাৰ অন্য সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰা হৈছে।

# শিৱসাগৰত সদৌ অসম কবি সন্মিলনৰ পূৰ্ণাংগ অধিৱেশন

**ই-সংবাদ, শিৱসাগৰ, ২৭ ডিচেম্বৰঃ** শিৱসাগৰ ছোৱালী কলেজ প্ৰাংগণত ৰামধেনু যুগৰ কবি বেণু চিৰিং সোঁৱৰণী কাব্যক্ষেত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে সদৌ অসম কবি সন্মিলনৰ সপ্তদশ দ্বিবাৰ্ষিক পূৰ্ণাংগ শিৱসাগৰ অধিৱেশন। শ্ৰীশ্ৰী খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তই পুৱা মুখ্যদ্বাৰ উদঘাটনেৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভণি কৰা অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি মুকুল নাথে। অনুষ্ঠানত সত্ৰাধিকাৰ ৰেৱকান্ত মহন্তই সম্প্ৰতি একাংশ মানুহে অধিক নিকৃষ্ট আৰু অমানৱীয় কাৰ্যকলাপ কৰি সমাজখন অস্থিৰ কৰি তোলা বুলি উদ্বেগ প্ৰকাশ কৰি কয়, "কবিতাই মানৱীয় প্ৰমূল্যবোধৰ কথা কয়। কবিতাই মানুহৰ মাজত মানৱীয় প্ৰমূল্যবোধ জগাই তোলে। সদৌ অসম কবি সন্মিলনে মানৱীয় পৰিৱেশ সৃষ্টিত , নতুন কবি সৃষ্টিত সফল হওঁক।" অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ সভাপতি বংশী বৰাই নতুন কবি সৃষ্টি, প্ৰতিভা বিকাশত সন্মিলনে এক পৰিৱেশ দি অহা বুলি দোহাৰে। ইয়াৰ পিছতে কবি, সমাজ সংগঠক দলিলউদ্দিন খান সোঁৱৰণী গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীদ্বাৰ উদঘাটন কৰে শিৱসাগৰ জিলা শিক্ষা বিষয়া দেৱজ্যোতি গগৈয়ে। প্ৰতিনিধি শিবিৰ মুকলি কৰে শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী কুমাৰ দলেই। ইয়াৰ পিছতেই থলিতে লিখা কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা এঘাৰ বজাত বীৰেন হাজৰিকা সোঁৱৰণী মঞ্চত সদৌ অসম কবি সন্মিলনৰ সভাপতি বংশী বৰাই সভাপতিত্ব কৰা শ্বহীদ সাংবাদিক কমলা শইকীয়া সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাখনি উদ্বোধন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি জুলিয়ানা বেগমে। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ-গ্ৰহণ কৰা গ্ৰন্থ উন্মোচন সভাখনিত সন্মিলনৰ মুখপত্ৰ 'সমলয়' উন্মোচন কৰে ডাঃ মাখন কলিতাই। অসমীয়া অনুবাদ কবিতাৰ ইংৰাজী সংকলন 'ইক্ অৱ ব্ৰহ্মপুত্ৰ' উন্মোচন কৰে ড° অৰুন্ধতী মহন্তই, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি আৰু প্ৰধান সম্পাদকসকলৰ কাব্যচেতনা সম্পৰ্কে বাব্লু প্ৰসাদ বৰুৱাই সম্পাদনা কৰা আলোচনা গ্ৰন্থ 'কাব্যচিন্তন' উন্মোচন কৰে বিশিষ্ট কবি নীলকান্ত শইকীয়াই, 'অসমৰ জনগোষ্ঠীয় কবিৰ কবিতা চয়নিকা' উন্মোচন কৰে গংগামোহন মিলিয়ে। সন্মিলনৰ ই-আলোচনী 'মেঘদূত' উন্মোচন কৰে এলিজা বেগমে, গোপাল চন্দ্ৰ বেজবৰুৱাৰ 'কাব্যচৰ্চা' উন্মোচন কৰে যোগ গগৈয়ে, আদৰণি সমিতিৰ স্মাৰকগ্ৰন্থ 'কলসুনন্দা' উন্মোচন কৰে নীলকান্ত শইকীয়াই, শিৱসাগৰ জিলা কবি সন্মিলনৰ কাব্যসংকলন 'কবিতাৰ দিন-ৰাতি' উন্মোচন কৰে ৰেণুমালা চাংমাই, আনিচ-উজ-জামান, হৰেন গগৈ আৰু ৰাজীৱ বৰাই যুটীয়াভাৱে সম্পাদনা কৰি উলিওৱা আজান পীৰ বিষয়ক গ্ৰন্থ 'মোৰ মনত ভেদ-ভাৱ নাই' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে নীলকান্ত শইকীয়াই। ইয়াৰ পিছতেই বিয়লি দুই বজাৰ পৰা অৰ্ধশতাধিক কবিয়ে কবিতা পাঠ কৰা তথা প্ৰেম গগৈয়ে উদ্বোধন কৰা ড° কুতুবুদ্দিন আহমেদ সোঁৱৰণী সতীৰ্থ কবি সন্মিলন সঞ্চালনা কৰে বিশিষ্ট কবি বিজয় ৰবিদাসে। উক্ত কাব্যানুষ্ঠানত উপস্থিত থাকে পশ্চিমবংগৰ প্ৰথিতযশা সাহিত্যিক ড° ৰামচৰণ ৰায়। বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত চাওচিং কোঁৱৰী সোঁৱৰণী 'শিৱদ'লৰ বাকৰিত কবিতা' উদ্বোধন কৰে ড° যতীন কোঁৱৰে আৰু সঞ্চালনা কৰে ৰাজীৱ বৰাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নেপালৰ বিশিষ্ট কবি প্ৰকাশ গৌতম আৰু ভাবনা পাৰাজুলি। বিয়লি চাৰি বজাৰ পৰা শিৱসাগৰ প্ৰেচ ক্লাৱত অনুষ্ঠিত হয় সন্মিলনৰ অন্তিম কাৰ্যনিৰ্বাহক সভা। বিয়লি পাঁচ বজাৰ পৰা অনুষ্ঠিত সেউজীয়া দেশৰ কবি ৰাম গোস্বামী সোঁৱৰণী যুব কবি সন্মিলনখনি উদ্বোধন কৰে বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই আৰু সঞ্চালনা কৰে ভূপেন গগৈয়ে।

## বিটিআৰৰ গোৰেশ্বৰত বামপন্থী সংগঠনৰ ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

# ৱায়নাডৰ প্ৰাকৃতিক দুৰ্যোগত পতিত লোকক সাহায্য প্ৰদানৰ দাবী

**ই-সংবাদ, গোৰেশ্বৰ, ২৭ ডিচেম্বৰঃ** কেৰালাৰ ৱায়নাডত প্ৰাকৃতিক দুৰ্যোগত পতিত হৈ দুৰ্দশাগ্ৰস্ত জীৱন কটোৱা লোকক সাহায্য প্ৰদানৰ দাবীত আৰু নয়দাৰ কৃষক আন্দোলনৰ প্ৰতি সহমৰ্মিতা জনাই আজি বিটিআৰৰ গোৰেশ্বৰত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে কেবাটাও বামপন্থী সংগঠনে। গোৰেশ্বৰ চহৰৰ ৰে'লগেট চ'কত নিখিল ভাৰত কৃষক সভা, ছিটু আৰু অসম কৃষি শ্ৰমিক ইউনিয়নৰ প্ৰায় শতাধিক কৰ্মী-সমৰ্থকে আজি গোৰেশ্বৰ ৰে'লগেট চ'কত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। দুপৰীয়া ১২ বজাৰ পৰা ৰূপায়ণ কৰা অৱস্থান ধৰ্মঘটস্থলীত নিখিল ভাৰত কৃষক সভাৰ তামুলপুৰ জিলা কমিটিৰ সম্পাদক প্ৰবীন দাস উপস্থিত থাকি কয় যে কেৰালাৰ ৱায়নাড জিলাত সংঘটিত হোৱা ভূমিস্খলনত ৪ শতাধিক নিহত আৰু শতাধিক লোকৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাহায্য আগবঢ়োৱা নাই। অথচ ক্ষতিগ্ৰস্ত লোকৰ বাবে কিমান ধনৰ প্ৰয়োজন বাজেট দিয়াৰ পিচতো ধন মোকোলাই দিয়া নাই। উত্তৰ প্ৰদেশৰ বৃহতৰ নয়দাৰ কৃষকক আন্দোলনৰ পিছত চৰকাৰৰ লগত চুক্তি হৈছিল। সেই চুক্তি কাৰ্যকৰী নকৰাৰ বাবে কৃষকসকলে পুনৰ আন্দোলনৰ পথ লবলগীয়া হৈছে। কৃষকৰ ওপৰত পুলিচী নিৰ্যাতনো জাপি দিছিল। মিছা গোচৰ জাপি দি জে'ললৈ পঠোৱাৰহে ব্যৱস্থা কৰিলে। কৃষকৰ সমস্যা সমাধান কৰাত কেন্দ্ৰ তথা ৰাজ্য দুয়োখন চৰকাৰ মুঠেও আগ্ৰহী নহয়। কৃষকক মাটি দিয়াৰ সলনি ধনী পুঁজিপতি গৌতম আদানীক ৯ হাজাৰ বিঘা মাটি দিয়াৰ কথা বাতৰি কাকত, সমাজিক মাধ্যমত প্ৰকাশ পাই আছে। বয়-বস্তুৰ দাম বৃদ্ধি হৈয়েই আছে। শ্ৰমিকৰ মজুৰি সংশোধন কৰা নাই। শ্ৰমকোডৰ জৰিয়তে শ্ৰমিকৰ অধিকাৰ হৰণ কৰিছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি যে দৰিদ্ৰ ৰাইজক সকাহ দিব পাৰি তাক কেৰালাৰ বাওপন্থীৰ চৰকাৰে মা-ভেলীৰ যোগেদি বজাৰতকৈ আধা দামত ৰাইজক যোগান ধৰি দেখুৱাই দিছে। অসমত অৰুণোদয় আঁচনি কেৱল ভোটৰ ৰাজনীতিৰ বাবে বিজেপি দলে কৰি আছে বুলি অভিযোগ কৰি কৃষক নেতা দাসে বিজেপি নেতৃত্বাধীন চৰকাৰে স্থায়ী সমস্যা সমাধানৰ ব্যৱস্থা নকৰে। অৱস্থান ধৰ্মঘট স্থলীত উল্লেখিত বিষয়ৰ ওপৰত কৃষি শ্ৰমিক ইউনিয়নৰ তামুলপুৰ জিলা কমিটিৰ আহ্বায়ক ধীৰেন বৰুৱা, চিটুৰ জিলা সম্পাদক বিৰাজ হাজৰিকা, চিপিআইএমৰ তামুলপুৰ জিলাৰ সম্পাদক বাপু বড়োৱে ভাষণ দিয়ে।

---

## ১০ কোটি টকীয়া প্ৰকল্পত ঠিকাদাৰৰ লুণ্ঠনক লৈ ক্ষোভিত ৰাইজ

# পকীকৰণৰ এবছৰৰ পিছতে বিধ্বস্ত ডিমৌ-শিৱসাগৰ সংযোগী হাৰিপৰা আলি

**ই-সংবাদ, শিৱসাগৰ, ২৭ ডিচেম্বৰঃ** শিৱসাগৰ ডিমৌ আৰু শিৱসাগৰ সমষ্টি সংযোগী এটা গুৰুত্বপূৰ্ণ পথ পকীকৰণ আৰু বহলকৰণৰ নামত ঠিকাদাৰে বহুৱালি কৰাত বৰ্তমান কুফল ভুগিছে সৰ্বসাধাৰণ জনতাই। আবণ্টিত ধন লুণ্ঠনৰ স্বাৰ্থতে লোক নিৰ্মাণ বিভাগৰ অধীনত থকা ঐতিহাসিক হাৰিপৰা আলি উন্নীতকৰণ আৰু বহলকৰণৰ নামত অতি নিম্ন মানৰ কাম কৰাৰ ফলতে এবছৰতে বিধ্বস্ত হৈ পৰিল। চূড়ান্ত বিসংগতিপূৰ্ণভাৱে আৰু নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰা বাবেই কাম সম্পূৰ্ণ হোৱা এবছৰ পিছতে ঐতিহাসিক হাৰিপৰা পথৰ বিভিন্ন অংশ বহি যোৱাৰ উপৰিও বখলা বখলে এৰি গৈছে পকী সমূহ। কেৱল ইমানেই নহয়, খেলুৱা দুৱৰীগাঁৱত হাৰিপৰা আলিত থকা এটা কালভাৰ্ট ভাগি বহি যোৱাত অতি বিপদজনক হৈ পৰিছে যাতায়তৰ ক্ষেত্ৰত। পকীকৰণ সম্পূৰ্ণ কৰা তিনিমাহৰ পিছতে হাৰিপৰা আলিটোৰ কেতবোৰ অংশত বখলা ফালে এৰি গৈছিল। সেই সময়ত এনে দুৰৱস্থাৰ বাতৰি প্ৰকাশ কৰাৰ পিছত অনিয়ম ঢাকিবলৈ যেনে তেনে যোৰা টাপলি মাৰি পুনৰ মেৰামতি কৰে যদিও সেয়াও অতি নিম্নমানৰ হোৱাত সকলো ফুটুকাৰ ফেন হ'ল। ইয়াৰ পাৰিপ্ৰেক্ষিতত বৰ্তমান প্ৰতিবাদমুখৰ হৈ পৰিছে একাংশ স্থানীয় ৰাইজ। উল্লেখ্য যে চেঙেলীবাৰীৰ পৰা হাৰিপৰা তিনি আলি লৈকে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনিৰ অধীনত ৮.২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো উন্নিতকৰণ আৰু বহলকৰণৰ অৰ্থে ১০ কোটি টকা পুঁজি আবন্টন দিছিল। নিবিদা লাভ কৰিছিল পুলিন গায়ন নামৰ এগৰাকী বিতৰ্কিত ঠিকাদাৰে। অতি পৰিতাপৰ বিষয় যে ২০২১ চনৰ ১৩ ফেব্ৰুৱাৰীত প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে আধাৰশিলা কৰা পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা এবছৰ হৈছে। কম দিনৰ ভিতৰতে ভাগি যোৱাত ভগ্ন অংশত প্ৰেলেপ দিয়ে যদিও সেইবিলাকো এতিয়া ভাগি তচনছ হ'ল। কোটি কোটি টকা ব্যয় কৰা দেখুৱাই পকীকৰণ তথা উন্নিতকৰণ আৰু বহলকৰণ কৰা পথটো অতি কম দিনৰ ভিতৰতে বিধ্বস্ত হৈ পৰা দৃশ্যই উদঙাইছে দুৰ্নীতিৰ ছবিখন। ইয়াৰ পৰিপ্ৰেক্ষিতত একাংশ ৰাইজে এনে নিম্ন মানৰ কাম কৰা ঠিকাদাৰ, লোক নিৰ্মাণ বিভাগৰ অভিযন্তাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। লগতে শীঘ্ৰেই উচিত তদন্ত কৰি সংশ্লিষ্ট ঠিকাদাৰ বিৰুদ্ধে ব্যৱস্থা লৈ ব্লেক লিষ্টেড কৰাৰ দাবী জনাইছে। ইপিনে পথটো নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ত নিম্ন মানৰ কাম যে কৰিছিল সেই সন্দৰ্ভত লোক নিৰ্মাণ বিভাগৰ একাংশ বিষয়া অভিযন্ত্ৰাক জনাইছিল যদিও গুৰুত্ব নিদিলে। যাৰ ফলত ৰাজকোষৰ ধনৰ অপব্যৱহাৰ হোৱাৰ লগতে যাতায়তৰ ক্ষেত্ৰত সমস্যা উদ্ভৱ হোৱা বুলি ক্ষোভ প্ৰকাশ কৰিছে একাংশ ৰাইজে। লগতে শীঘ্ৰেই উচিত তদন্ত কৰি পথটো যাতায়তৰ বাবে সুচল কৰাৰ দাবী জনাইছে। লোক নিৰ্মাণ বিভাগৰ একাংশ বিষয়া, অভিযন্ত্ৰাই সঠিকভাৱে নিৰীক্ষণ নকৰা বাবেই ঠিকাদাৰে এনে নিম্ন মানৰ কাম কৰিবলৈ সাহস পালে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰিছে একাংশ ৰাইজে। অন্যহাতে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ গৰাকীক লোক নিৰ্মাণ বিভাগৰ অভিযন্তাৰ সন্মুখতে ফোন কৰি প্ৰশ্ন কৰাত তৰল যুক্তি দি বিষয়টোৰ পৰা ফালৰি কাটে। ডাম্পাৰ যোৱাটো বন্ধ কৰি দিয়ক বুলি পৰামৰ্শ আগবঢ়াই বিষয়টোৰ পৰা ফালৰি কাটে পুলিন গায়নে। লোক নিৰ্মাণ বিভাগৰ অধীনত থকা পথটো যানবাহন চলাচল কৰিবৰ বাবেই অধিক বহল কৰি পকীকৰণৰ বাবে চৰকাৰে পদক্ষেপ লৈছিল। তেনে স্থলত যানবাহন চলোৱাটো স্বাভাৱিক কথা। পকীকৰণ সবল তথা মজবুতকৈ নকৰি এতিয়া দায়সৰা মন্তব্য কৰাত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। ইপিনে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব বুলি বিভিন্ন সময়ত হুংকাৰ দিয়া জনপ্ৰতিনিধিসকলে হাৰিপৰা আলি নিৰ্মাণত হোৱা অনিয়মৰ বিৰুদ্ধে কি পদক্ষেপ ল'ব অনাগত দিনত লক্ষণীয় হ'ব।

## জনজাতিকৰণ নকৰিলে বিজেপি বিৰোধী স্থিতি লোৱাৰ হুংকাৰ

# পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত কোকৰাঝাৰত আক্ৰাছুৰ সমদল

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ ডিচেম্বৰঃ** কোচ ৰাজবংশী ঐক্যমঞ্চৰ উদ্যোগত আৰু কোকৰাঝাৰ জিলা আক্ৰাছুৰ সহযোগত জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য পুণৰগঠনৰ দাবীত আজি সন্ধিয়া ৫:৩০ মান বজাত কোকৰাঝাৰত এক বিশাল সমদল বাহিৰ হয়। কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰৰ পৰা বিশাল সমদলটোৱে ফ্লাইঅভাৰ হৈ সদৰ চহৰ পৰিভ্ৰমন কৰি গ্ৰীণ ফিল্ডত উপস্থিত হৈ সমদলৰ অন্ত পেলায়। উল্লেখ্য যে পৃথক কমতাপুৰ ৰাজ্য পুণৰগঠন আৰু জনজাতিকৰণ দাবীত ৰাজ্যৰ বিভিন্ন প্ৰান্তত কোচ ৰাজবংশী ঐক্যমঞ্চৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন হোৱাৰ পিছত আজি কোকৰাঝাৰৰ পৰা বিয়লি জোঁৰ লৈ সমদল যাত্ৰা কাৰ্যসূচী ৰূপায়ন হোৱাৰ কথা আছিল। সেই মৰ্মে উদ্যোক্তা সমিতিয়ে অনুমতি বিচাৰি প্ৰশাসনৰ ওচৰত আবেদন কৰিছিল। আক্ৰাছুৰ (বলোৰাম গোট) সভাপতি বলোৰাম বৰ্মনে সদৰি কৰা মতে প্ৰশাসনে অকল সমদল কৰাৰ হে অনুমতি প্ৰদান কৰি আজি দুপৰীয়া ১:০০ বজাৰ পৰা ২:৩০ বজাৰ ভিতৰত সমদলৰ সময় নিৰ্ধাৰণ কৰি দিয়ে অথচ অনুমতি পত্ৰখন দিয়ে বিয়লি ৩:০০ বজাত। এয়া কেনেকৈ সম্ভৱ আৰু কোকৰাঝাৰ প্ৰশাসন অইন জিলা প্ৰশাসনৰ দৰে নচলে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। ইপিনে সন্ধিয়া প্ৰতিবাদকাৰীসকল কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত সমবেত হোৱাত আৰু তাৰ পৰা জোঁৰ সমদল বাহিৰ কৰিব খোজাত আৰক্ষীয়ে বাধা প্ৰদান কৰে। ইয়াকে লৈ প্ৰতিবাদকাৰীসকলৰ সতে আৰক্ষীৰ তৰ্ক-বিতৰ্ক হয়। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বেৰিকেড ভাঙি হলেও জোঁৰ সমদল কৰিবই বুলি ভাবুকি দিয়াৰ লগতে উক্ত স্থানতে আমৰণ অনশন কৰাৰ ভাবুকি দিয়ে। বহু তৰ্ক-বিতৰ্কৰ পিছত অৱশেষত আৰক্ষীয়ে সমদলকাৰীসকলক



মোবাইলৰ ফ্লাছ লৈ সমদল কৰাৰ অনুমতি প্ৰদান কৰে আৰু ইয়াৰ পিছতেই কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰৰ পৰা বিশাল সমদলটোৱে ফ্লাইঅভাৰ হৈ সদৰ চহৰ পৰিভ্ৰমন কৰি গ্ৰীণ ফিল্ডত উপস্থিত হৈ সমদলৰ অন্ত পেলায়। সমদলৰ সময়ছোৱাত প্ৰতিবাদকাৰীসকলে পৃথক কমতাপুৰ ৰাজ্য পুণৰগঠন আৰু জনজাতিকৰণ দাবীৰ সমৰ্থনত বিভিন্ন শ্লোগান দিয়াৰ লগতে ব্যাপক বিজেপি বিৰোধী শ্লোগান নিক্ষেপ কৰে। ইপিনে আক্ৰাছুৰ দুই গোটৰ সভাপতি ক্ৰমে বলোৰাম বৰ্মন আৰু দ্বীপেন ৰায়ে সংবাদমাধ্যমৰ আগত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰি বিধানসভা নিৰ্বাচনৰ পূৰ্বে কোচ ৰাজবংশীক জনজাতিকৰণ নকৰিলে নিৰ্বাচনত বিজেপি বিৰোধী স্থিতি লোৱা হ'ব বুলি সঁকিয়নি প্ৰদান কৰিছে। জাতি-মাটি-ভেটিৰ কথা কোৱা চৰকাৰখনে খিলঞ্জীয়া কোচ-ৰাজবংশী জনগোষ্ঠীৰ কথা নাভাৱে বুলি মন্তব্য কৰি চৰকাৰখন প্ৰকৃততে খিলঞ্জীয়াৰ চৰকাৰ নহয় বৰং বণিক গোষ্ঠীৰ স্বাৰ্থৰ বাবেহে কাম কৰা এইখন চৰকাৰ বুলি মন্তব্য কৰিছে। নিজৰ ভূমিতেই আজি কোচ-ৰাজবংশী আজি বহিৰাগত হ'ব ধৰিছে , মাটি বাৰী হেৰুৱাই নি:স্ব হৈ পৰিছে বুলি মন্তব্য কৰি পৃথক কমতাপুৰ ৰাজ্য পুনৰগঠন আৰু জনজাতিকৰণ বাহিৰে আন বিকল্প নাই বুলি সদৰি কৰিছে আক্ৰাছুৰ দুই গোটৰ সভাপতি ক্ৰমে বলোৰাম বৰ্মন আৰু দ্বীপেন ৰায়ে। যিহেতু ১৯৯৬ চনত কোচ ৰাজবংশীক জনজাতিকৰণ দিছিল সেয়েহে কোচ -ৰাজবংশীয়ে জনজাতিকৰণৰ মৰ্যদা পোৱাটো যুক্তিযুক্ত আৰু অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে কোচ ৰাজবংশীক জনজাতিকৰণ আলোচনা আৰম্ভ নকৰিলে হিটলাৰী চৰকাৰখনক ওফৰাই পেলাবলৈ কোচ ৰাজবংশী জনতা সজাগ সচেতন হৈছে বুলি মন্তব্য কৰিছে বলোৰাম বৰ্মনে। ঠাণ্ডাকো নেওঁচি কেবাশতাধিক কোচ ৰাজবংশী জনতাই সমদলত অংশগ্ৰহণ কৰে।

# মাজুলীত জল জীৱন মিছনৰ পানী উপভোক্তা কমিটিৰ অভিবিন্যাস সভা সম্পন্ন

**ই-সংবাদ, মাজুলী, ২৭ ডিচেম্বৰঃ** মাজুলীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা জল জীৱন মিছনৰ পানী উপভোক্তা কমিতিৰ সভাপতি আৰু সম্পাদকসকলৰ সৈতে শুকুৰবাৰে মাজুলী সাংস্কৃতিক প্ৰেক্ষাগৃহত এখন অভিবিন্যাস সভা অনুষ্ঠিত হয়। গ্ৰামাঞ্চলৰ পৰিয়ালসমূহে নিয়মীয়া আৰু স্থায়ীভাৱে বিশুদ্ধ খোৱাপানী লাভ কৰাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত পানী উপভোক্তা সমিতিসমূহৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। পানীৰ গুণগত মান, পানীৰ পৰিমাণ আৰু পানীৰ নিয়মীয়া যোগানৰ লগতে বিত্তীয় সুস্থিৰতা আৰু প্ৰতিস্থানিক বহনক্ষমতা নিশ্চিতকৰণ ক্ষেত্ৰত যাতে পানী উপভোক্তা কমিটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে এই উদ্দেশ্যেই সভাখন অনুষ্ঠিত কৰা হয়। সভাখনত জনস্বাস্থ্য কাৰিকৰী বিভাগ মাজুলী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা সৈত্যেন গোস্বামী, সহকাৰী কাৰ্যবাহী অভিযন্তা কৌশিক বৰতামুলী, সহকাৰী অভিযন্তা শান্তনু কৌশিক পাতিৰ, জিলা সমন্বয়ক অলকেশ গগৈ, চয়নিকা দেৱী, কাৰিকৰী বিষয়া নয়নজ্যোতি বাইলুং উপস্থিত থাকে।

# নগাঁৱৰ মাহেৰীপাৰত বিধ্বংসী অগ্নিকাণ্ড, ছয়টাকৈ বাসগৃহ ভস্মীভূত, ৫০ লক্ষৰো অধিক ক্ষতিসাধন

**ই-সংবাদ, বেবেজীয়া, ২৭ ডিচেম্বৰঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ জুৰীয়াৰ কিছু নিলগৰ মাহেৰীপাৰত শুকুৰবাৰে দিনৰ ভাগত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয় । অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও ছয়টাকৈ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ বিপৰীতে পঞ্চাশ লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায় । প্ৰাপ্ত খবৰ মতে, মাহেৰীপাৰৰ গুলজাৰ হুছেইনৰ পাকঘৰত প্ৰথমে এই জুইৰ সূত্ৰপাত ঘটে । ঘৰৰ লোকসকল ৰন্ধা-বঢ়াত ব্যস্ত থকা অৱস্থাতে হঠাতেই দপদপাই জ্বলি উঠা জুইৰ লেলিহান শিখাই নিমিষতে গুলজাৰ হুছেইনৰ বাসগৃহৰ লগতে কাষতে থকা মজনুৰ আহমেদ, নজমুল হুছেইন, ইছমাইল আলী, ইক্ৰামুল হুছেইন আৰু ৰকিবুল হুছেইন নামৰ লোককেইজনৰ বাসগৃহকেইটাও আগুৰি ধৰি সকলো ছাই কৰি পেলাই । পৰিণতিত বাসগৃহকেইটাত থকা নগদ ধনসহ কাপোৰ-কানি, বিচনা, খাদ্য-সামগ্ৰী, বাচন-বৰ্তনকে ধৰি সকলো আচবাব, বহু গুৰুত্বপূৰ্ণ নথি-পত্ৰ আদি জুইত ভস্মীভূত হয় । ঘটনাৰ আকস্মিকতাত সমগ্ৰ অঞ্চলটোত হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বহুলোক সমবেত হৈ অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়ে। পিছত অগ্নি নিৰ্বাপক বাহিনীৰ লোকে স্থানীয় ৰাইজৰ সহযোগত বহু চেষ্টাৰ অন্তত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হোৱাতহে সমীপৰ আন বহুকেইটা বাসগৃহ সম্ভাব্য বিপদৰ পৰা হাত সাৰে। এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাৰ প্ৰকৃত কাৰণ অদ্যপি জানিব পৰা হোৱা নাই যদিও সন্ধান অব্যাহত আছে।

## হত্যা নে আন কিবা? অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ

# বনভোজ খাবলৈ গৈ সন্ধানহীন দক্ষিণ বৰদলৰ ধৰ্মেন্দ্ৰ নাথ

**ই-সংবাদ, ৰঙিয়া, ২৭ ডিচেম্বৰঃ** ৰঙিয়াৰ খৈৰাবাৰী মালধাপাৰা আশ্ৰমৰ সমীপৰ পৰা দক্ষিণ বৰদলৰ ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজনে বৃহস্পতিবাৰে বনভোজ খাবলৈ গৈ সন্ধানহীন হৈ থকা ঘটনাৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে পৰিয়ালৰ লোকে ৰঙিয়া থানাত ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰে যদিও বাতৰি যুগুত কৰা পৰলৈ নিৰ্দিষ্ট যুৱকজনৰ কোনো সম্ভেদ লাভ কৰা নাই আৰক্ষীয়ে। বনভোজ খাবলৈ গৈ দুটা পক্ষৰ মাজত কাজিয়াৰ সূত্ৰপাত হোৱাৰ পিছৰে পৰা যুৱকজন সন্ধানহীন হয়। উক্ত ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে ৰঙিয়া থানাত দাখিল কৰা এজাহাৰত হিমাংশু কাকতি আৰু সংগীসকলৰ ওপৰত অভিযোগৰ আঙুলি উঠাই তেওঁলোকক আটক কৰাৰ দাবীত শুকুৰবাৰে স্থানীয় ৰাইজে ৰঙিয়া থানাৰ প্ৰৱেশ দ্বাৰত সমবেত হৈ সন্ধিয়াৰ ভাগলৈ তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখে। ইফালে ঘটনাস্থলীত এছ ডি আৰ এফ বাহিনীয়ে পুৱাৰে পৰা অভিযান চলাই আহিছে যদিও কোনোধৰণৰ সম্ভেদ লাভ কৰিবলৈ সক্ষম নোহোৱাটোৱে ৰহস্যঘন কৰি তুলিছে। উল্লেখ্য যে আৰক্ষী তথা প্ৰশাসনে পৰিয়ালৰ লোকৰ পৰা ২৪ ঘণ্টা সময় লৈছিল। এতিয়া প্ৰশ্ন উঠিছে- ক'ত আছে তিনি অভিযুক্ত? ক'ত আছে ধৰ্মেন্দ্ৰ নাথ?ইফালে আজি ৰাজ্যিক বিজেপিৰ সভাপতি তথা স্থানীয় বিধায়ক ভবেশ কলিতা ধৰ্মেন্দ্ৰ নাথৰ বাসগৃহত উপস্থিত হয়। নিৰ্দিষ্ট যুৱকজনৰ পৰিয়ালৰ লোকৰ সৈতে ঘটনা সন্দৰ্ভত আলোচনাত মিলিত হোৱাৰ লগতে আৰক্ষী প্ৰশাসনক ক্ষীপ্ৰ গতিত তদন্ত আগবঢ়োৱাৰ লগতে অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ আহ্বান জনায়।



চৰাইদেউ পৰ্বত চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ ধোদৰ আলি অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত, ফটোঃ ই-সংবাদ, মথুৰাপুৰ

# তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে আসন সংৰক্ষণৰ সিদ্ধান্ত

**ই-সংবাদ, ডুমডুমা, ২৭ ডিচেম্বৰ:** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে আসন সংৰক্ষণৰ বিষয়ত বিধি অনুসৰি স্বচ্ছতাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে আজি তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিশান, ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেণ ফুকন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গুৰনীল সিঙৰ উপৰি সকলো অতিৰিক্ত আয়ুক্ত আৰু সম-জিলা আয়ুক্ত, সমষ্টি সংৰক্ষণ সমিতিৰ সদস্যসকলৰ আৰু আন আন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বৈঠকত মহিলা আৰু অনুসূচিত জাতি-জনজাতি আদিৰ বাবে পঞ্চায়তৰ বিভিন্ন পৰ্যায়ত আসন সংৰক্ষণৰ সম্পৰ্কত সমূহীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# খাৰুপেটীয়াৰ সুচিকিৎসক মিৰ্জাদুল হুদা পথ দুৰ্ঘটনাত নিহত

**ই-সংবাদ, খাৰুপেটীয়া ২৭ ডিচেম্বৰঃ** দৰং জিলাৰ খাৰুপেটীয়াবাসীয়ে হেৰুৱালে এগৰাকী সুচিকিৎসকক। দৰং জিলাৰ খাৰুপেটীয়া হাস্পতালৰ অৱসৰপ্ৰাপ্ত স্বাস্থ্য কৰ্মচাৰী ছামচুল হুদা আৰু ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত ডও ছুৰিয়া বেগমৰ একমাত্ৰ সন্তান সুচিকিৎসক মিৰ্জাদুল হুদা (২৯) কালি নিজৰ বাইকেৰে বেজেৰা অভিমুখে গৈ থকা অৱস্থাত সন্ধিয়া সময়ত তীব্ৰগতিৰ এখন ট্ৰাকে মহটিয়াই নিয়াত গুৰুতৰভাৱে আহত হৈছিল। ঘটনাস্থলীত উপস্থিত লোকে ততালিকে সংকটজনক অৱস্থাত গুৱাহাটী এইমছলৈ তেওঁক প্ৰেৰণ কৰে যদিও চিকিৎসাধীন অৱস্থাত তেওঁ ইহলীলা সম্বৰণ কৰে। যুৱ চিকিৎসক মিৰ্জাদুলে মঙলদৈ ৰেডক্ৰছ চৰকাৰী হাস্পতালত চিকিৎসক হিচাপে কৰ্মৰত আছিল। কালি নিজৰ দায়িত্ব পালন কৰি বেজেৰাত এখন ব্যক্তিগত খগুৰ চিকিৎসায়লৈ নাইট ডিউটি কৰিবলৈ যোৱাৰ পথত শোকাৱহ পথ দুৰ্ঘটনাত পতিত হয়। অতি অমায়িক স্বভাৱৰ আৰু মৰমীয়াল সুচিকিৎসক মিৰ্জাদুলৰ বিয়াৰ কথা চলি আছিল। গুৱাহাটীত তেওঁৰ নশ্বৰদেহ মৰণোত্তৰ পৰীক্ষাৰ পিছত গুৱাহাটীৰ পৰা আজি আবেলি ৩ বজাত খাৰুপেটীয়াস্থিত স্বগৃহলৈ আনে। পিছত অগণন গুণমুগ্ধৰ উপস্থিতিত খাৰুপেটীয়া টাউনৰ কবৰস্থানত আজি সন্ধিয়া ৫.৩০ বজাত এক শোকাকুল পৰিৱেশৰ মাজত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। পিতৃ-মাতৃৰ লগতে আত্মীয়ক এৰি যোৱা মিৰ্জাদুল হুদাৰ আকস্মিক তথা অকাল মৃত্যুত দৰং জিলাৰ বিভিন্ন এলেকাৰ লগতে বৃহত্তৰ খাৰুপেটীয়া অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত দৰং জিলা জমিয়ত উলামা, খাৰুপেটীয়া প্ৰেছ ক্লাব, আমছু, সংখ্যালঘু সংগ্ৰাম পৰিষদ, খাৰুপেটীয়া সাহিত্য সভা, খাৰুপেটীয়া বনিক সন্থা, বিধায়ক মজিবুৰ ৰহমান, প্ৰাক্তন বিধায়ক ইলিয়াছ আলীয়ে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

## চামগুৰিৰ ভেলেউগুৰিত নৱনিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক সম্বৰ্ধনা

ই-সংবাদ, পুৰণিগুদাম, ২৭ ডিচেম্বৰঃউপ-নিৰ্বাচনত চামগুৰিৰ ৰাইজে মোক বিপুল ভোটত জয় কৰালে। মই সদায় ৰাইজৰ উন্নয়নৰ কাৰণে কাম কৰিম। যুৱ-প্ৰজন্মৰ কাৰণে কাম কৰিবলৈ চেষ্টা কৰিম।চামগুৰি সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু প্ৰতিযোগিতামূলক পৰীক্ষাত কেনেকৈ অৱতীৰ্ণ হ'ব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিম।ৰাইজৰ বাবে কাম কৰিবলৈ এটা ভাল মানসিকতা লৈ ওলাই আহিছো। আপোনালোকে মোক আশীৰ্বাদ কৰিব।এই মন্তব্য নৱনিৰ্বাচিত চামগুৰিৰ সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অধীনৰ ভেলেউগুৰি গাঁও পঞ্চায়তৰ অধীনৰ ২৩১ আৰু ২৩২ বুথৰ উদ্যোগত ভেলেউগুৰি নাট্যঘৰত আজি অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাত চামগুৰি সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক বুথ সমিতিৰ সভাপতি সকলৰ লগতে বিজেপি কাৰ্যকৰ্তা আৰু স্থানীয় ৰাইজ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলে বিপুলভাৱে সম্বৰ্দ্ধনা জনায়। ২৪ বছৰ কংগ্ৰেছ দল তথা ৰকিবুল হুছেইনে প্ৰতিনিধিত্ব কৰা চামগুৰি সমষ্টিটোত এইবাৰ উপ-নিৰ্বাচনত প্ৰায় ২৫ হাজাৰ ভোটৰ ব্যৱধান বিজেপি দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীক পৰাজয় কৰি সমষ্টিটোত বিজেপিৰ ধ্বজ্বা উৰুৱাবলৈ সক্ষম হয়। উক্ত সম্বৰ্ধনা সভাখনত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত কয়, বিজেপিয়ে সদায় সকলোৰে উন্নয়নৰ কাৰণে কাম কৰে।প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আদৰ্শ আগৰ ৰাখি চামগুৰি সমষ্টিৰ উন্নয়নৰ কাৰণে কাম কৰিম।কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা, কলিয়াবৰ জিলা যুৱ মৰ্চাৰ সভাপতি লক্ষীৰঞ্জন কাকতিকে প্ৰমুখ্যে কৰি বিজেপিৰ বহু জ্যেষ্ঠ নেতা-কৰ্মী উপস্থিত থকা অনুষ্ঠানটোত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগ কয় যে, ভাৰতীয় জনতা পাৰ্টিয়ে ৰাইজৰ লগত থাকি সদায় ৰাইজৰ হকে কাম কৰি আহিছে।




কোকৰাঝাৰত পৃথক কমতাপুৰ ৰাজ্য পুনৰগঠন আৰু জনজাতিকৰণ দাবীত কোচ ৰাজবংশী ঐক্যমঞ্চৰ উদ্যোগত সমদল

### তেজ দিম, মাটি নিদিওঃ জাগীৰোডত উত্তাল প্ৰতিবাদ ৰাইজৰ

## জাগীৰোডৰ প্ৰাচীন গোভা ৰজাৰ ঐতিহাসিক এলেকাত চৰকাৰৰ চকু

**ই সংবাদ, জাগীৰোড, ২৭ ডিচেম্বৰ:** তেজ দিম, মাটি নিদিও । এই শ্ল'গানেৰে জাগীৰোডৰ গোভাত উত্তাল প্ৰতিবাদ । এইবাৰ জাগীৰোডৰ প্ৰাচীন গোভা ৰজাৰ ঐতিহাসিক গোভাত চৰকাৰৰ চকু । গোভাৰ বিস্তৃত অঞ্চলৰ প্ৰায় ৬০০ বিঘা ভূমি অধিগ্ৰহণৰ পৰিকল্পনা চৰকাৰৰ । য'ত নিৰ্মাণ হ'ব ভাৰতীয় বায়ু সেনাৰ বিশাল অস্ত্ৰ ভাণ্ডাৰ । তাতেই গৰজি উঠিছে স্থানীয় জনজাতীয় ৰাইজ । পেচাত কৃষিজীৱী এইসকল তিৱা জনজাতীয় লোকৰ একমাত্ৰ ভৰষা এই কৃষিভূমি । ককা আজোককাৰ দিনৰে পৰা এই ভূমিত কৃষিকৰ্ম কৰিয়েই জীৱনযাপন কৰি আহিছে এইসকল লোকে । ইয়াৰোপৰি ট্ৰাইবেল বেল্ট ব্লকৰ অধীনত সংৰক্ষিত এই অঞ্চলত আছে প্ৰাচীন গোভা ৰাজ্যৰ ঐতিহ্য । ইয়াত অৱস্থিত গোভা ৰজাৰ অৰম বিলত প্ৰতিবছৰে জোনবিল মেলাৰ সময়ত অনুষ্ঠিত হয় পৰম্পৰাগত সমূহীয়া মাছ ধৰা পৰ্ব । সেয়ে নিজৰ ভূমি আৰু প্ৰাচীন গোভা ৰাজ্যৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত ওলাই আহিছে ৰাইজ । সদৌ তিৱা ছাত্ৰ সন্থা আৰু কাৰ্বি ছাত্ৰ সন্থাৰ নেতৃত্বত ৰূপায়ণ কৰিছে প্ৰতিবাদী কাৰ্যসূচী । নিজৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত কোলাত কেচুৱা লৈ প্ৰতিবাদত অংশ লৈছে বহু জনজাতীয় মহিলাই । হাতেহাতে বিভিন্ন প্ৰতিবাদী শ্লগানৰ পোষ্টাৰ লৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে সহস্ৰাধিক লোকে । সকলোৰে এটাই কথা - তেজ দিম, কিন্তু মাটি নিদিও । প্ৰয়োজনত এই আন্দোলন জংগী কৰি তোলাৰো হুংকাৰ প্ৰতিবাদকাৰীৰ । অৱশ্যে এই প্ৰতিবাদক চৰকাৰে কিদৰে গ্ৰহণ কৰে সেয়াহে হ'ব লক্ষণীয় ।

## টংলাৰ সাংস্কৃতিক কৰ্মী ভাস্কৰ জ্যোতি দাসৰ দেহাৱসান

**ই-সংবাদ, ডিমাকুছি, ২৭ ডিচেম্বৰঃ** ৰাজ্যৰ সাংস্কৃতিক জগতক নিঠৰুৱা কৰি চিৰদিনৰ বাবে গুচি গ'ল টংলাৰ এগৰাকী সাংস্কৃতিক কৰ্মী ভাস্কৰজ্যোতি দাস। বিশিষ্ট সাংস্কৃতিক কৰ্মী, চলচ্চিত্ৰ নিৰ্মাতা, প্ৰযোজক, পৰিচালক ভাস্কৰজ্যোতি দাসে ৫১ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি কম সময়ৰ ভিতৰতে ৰাজ্যৰ সাংস্কৃতিক জগতৰ এটি চিনাকি নাম হৈ পৰা ভাস্কৰজ্যোতি দাস দীৰ্ঘদিন আক্ৰান্ত হৈ আছিল দুৰাৰোগ্য ৰোগত। অৱশেষত বৃহস্পতিবাৰে নিশা গুৱাহাটী চিকিৎসালয় মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে ভাস্কৰ জ্যোতি দাসে শেষ নিশ্বাস ত্যাগ কৰে। ভাস্কৰ দাসৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে ৰাজ্যৰ সাংস্কৃতিক মহলৰ লগতে সমগ্ৰ ওদালগুৰি জিলাতে শোকৰ ছাঁ পৰে। টংলা নিবাসী স্বৰ্গীয় লক্ষী দাস আৰু বাসন্তী দাসৰ জ্যেষ্ঠ পুত্ৰ তথা বৰ্তমান গুৱাহাটীৰ বাসিন্দা ভাস্কৰজ্যোতি দাসক অন্তিম বিদাই জনাবলৈ নিশাই গুৱাহাটীৰ পৰা জন্মস্থান টংলাৰ নিজ বাসগৃহলৈ অনা হয়। দাসৰ নশ্বৰদেহ ঘৰলৈ আহি পোৱাৰ লগে লগে শোকাকুল পৰিৱেশে বিৰাজ কৰে। টংলাৰ বাসগৃহত অসংখ্য গুণমুগ্ধই দাসক অন্তিম বিদাই জনায়। এসময়ৰ কটন কলেজৰ ছাত্ৰ ভাস্কৰজ্যোতি দাসে পৰৱৰ্তী সময়ত দন্ত চিকিৎসাৰ পাঠ্যক্ৰমত নামভৰ্তি কৰে যদিও পাঠ্যক্ৰম আধাতে সামৰি দাস ছবি নিৰ্মাণৰ সৈতে জড়িত হৈ পৰে। এগৰাকী প্ৰসিদ্ধ চিত্ৰনাট্যকাৰ হিচাপে দাসে বঁটা বিজয়ী হাগুক, সোনাৰ বৰণ পাখি, বকুল ফুলৰ দৰে আদি জনপ্ৰিয় ছবি অসমৰ ৰাইজলৈ আগবঢ়াই দিছিল। তদুপৰি দাসে অন্তৰ্ধান নামৰ এখন ছবি পৰিচালনা কৰাৰ লগতে আন বহুকেইখন ছবিত সহঃ পৰিচালক হিচাপে কাম কৰাৰ অভিজ্ঞতা অৰ্জন কৰিছিল। ইয়াৰ সমান্তৰালভাৱে দাসে আননন ছামাৰ, হুৱেৰ ইছ মাই হোম, আই ড'ন্ট কেয়াৰ, ৱাণ্ট টু বি ৰ'ৰ্ন এগেইন ফৰ পয়েম আদিৰ দৰে চুটি ছবি আৰু তথ্যচিত্ৰ নিৰ্মাণ কৰি সুখ্যাতি অৰ্জন কৰাৰ লগতে নিজৰ যোগ্যতাৰ পৰিচয় দিছিল। শেহতীয়াকৈ কেৰেলাত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় চুটি ছবি মহোৎসৱত দাসৰ এগু আন নন ছামাৰ নামৰ ছবিখনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। দ্বিতীয় গুৱাহাটী আন্তৰাষ্ট্ৰীয় ছবি মহোৎসৱ আৰু দ্বিতীয় উত্তৰ পূব ছবি আৰু ভিডিঅ' টেকনিচিয়ান এৱাৰ্ডৰ জুৰী হিচাপেও দাসে নিজৰ দায়িত্ব পালন কৰিছিল। সম্প্ৰতি আন এখন ছবিৰ কামত ব্যস্ত ভাস্কৰজ্যোতি দাস হঠাৎ অসুস্থ হৈ পৰাত তেওঁক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও কালি তেওঁ সকলোকে কন্দুৱাই ইহসংসাৰ ত্যাগ কৰে। আজি টংলাত দাসৰ নশ্বৰদেহ অন্তিম সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত ভাস্কৰ দাসে দুগৰাকী বাইদেউ আৰু তিনিগৰাকী ভাতৃক এৰি থৈ যায়। ভাস্কৰজ্যোতি দাসৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

# তিনিচুকীয়াৰ ফিলবাৰীত তিহাৰ বিদায় সমাৰোহ, সাংবাদিক দীপক শৰ্মাক বঁটা প্ৰদান

**ই-সংবাদ, কাকপথাৰ, ২৭ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী, শিক্ষাবিদ তথা আধ্যাত্মিক গুৰু প্ৰয়াত মন বাহাদুৰ অধিকাৰীৰ নামত চলিত বৰ্ষৰ পৰা প্ৰৱৰ্তন কৰা 'মন বাহাদুৰ অধিকাৰী সোঁৱৰণি সমন্বয় বঁটা, ২০২৪' এইবাৰ প্ৰদান কৰা হয় জনপ্ৰিয় অভিৰুচক তথা অসমৰ প্ৰথমটো চেটেলাইট চেনেল প্ৰাগ নিউজৰ সাংবাদিক দীপক শৰ্মাক। তিনিচুকীয়া জিলাৰ ফিল'বাৰী আমগুৰিৰ প্ৰয়াত মন বাহাদুৰ অধিকাৰী সমন্বয় ক্ষেত্ৰত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, ফিল'বাৰী আঞ্চলিক সমিতি আৰু "তিহাৰ বিদায় সমাৰোহ,২০২৪" উদযাপন সমিতিয়ে ২৪ আৰু ২৫ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত তিহাৰ বিদায় সমাৰোহৰ অনুষ্ঠানত এক বৰ্ণাঢ্য কাৰ্যসূচীত জনপ্ৰিয় মটিভেটৰজনক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত "আগছু" আৰু আদৰণী সমিতিৰ বিষয়ববীয়াৰ উপৰি প্ৰয়াত মন বাহাদুৰ অধিকাৰীৰ পুত্ৰ চন্দন অধিকাৰী, পুত্ৰ বধু, খুলালী মাতৃকা শৰ্মা পৰিয়ালৰ অন্যান্য সদস্য তথা অঞ্চলটোৰ ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখ যোগ্য যে বঁটা প্ৰাপকক এখনি শৰাই, চেলেং চাদৰ, সৰুদৈয়া জাপি, স্মাৰক, ফুলাম গামোচা, গোৰ্খা টুপী, জনগোষ্ঠীয় গলবস্ত্ৰৰ লগতে নগদ ধন প্ৰদান কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানটোৰ আঁত ধৰে উদযাপন সমিতৰ কাৰ্যকৰী সভাপতি লীলা উপাধায়ে ইয়াৰ পূৰ্বে বিশিষ্ট মটিভেটৰগৰাকীয়ে অঞ্চলটোৰ কেবাখনো বিদ্যালয়ৰ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক প্ৰেৰণাদায়ক বক্তৃতাৰ দ্বাৰা মন্ত্ৰমুগ্ধ কৰে। আনহাতে, দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা তিহাৰ বিদায় সমাৰোহৰ প্ৰথম দিনা পুৱা গোৰ্খা ছাত্ৰ সন্থাৰ পতাকা উত্তোলনৰে অনুষ্ঠান আৰম্ভ হয়। উত্তোলন কৰে আঞ্চলিক সমিতিখনৰ সভাপতি শংকৰ চেত্ৰীয়ে। তাৰ পাছৰ আদৰণী সমিতিৰ সভাপতি তীৰ্থ ঢকালে তিহাৰৰ পতাকা উত্তোলন কৰে। শ্বহীদ তৰ্পণ কৰে ক্ৰমে আগছুৰ সম্পাদক প্ৰদীপ চেত্ৰী আৰু আদৰণী সমিতিৰ সম্পাদকদ্বয় ক্ৰমে কুল বাহাদুৰ তামাং আৰু কুল বাহাদুৰ চেত্ৰীয়ে। ইয়াৰ পিছত গছ পুলি ৰোপণ কৰে ৰংপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চক্ৰ থাপাই। দিনৰ ১ বজাত মঞ্চ উদ্বোধন কৰে কাক'জান উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰ বাহাদুৰ লিম্বুয়ে।দিনৰ ২ বজাত অনুষ্ঠিত হোৱা সতীৰ্থ সন্মিলনৰ সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰ নেতা ৰত্ন থাপাই। সহযোগ কৰে শিক্ষক একনাথ উপাধ্যায়ে। ইয়াৰ পিছতেই বিভিন্ন প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিযোগিতা উদ্বোধন কৰে গাভৰুভেঁটি সমবায় সমিতিৰ সম্পাদক বদ্ৰী কটোৱালয়ে। ২৫ ডিচেম্বৰৰ দিনা অন্যান্য কাৰ্যসূচীৰ লগতে মুকলি সভা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নোমল চেত্ৰী আৰু আৰু গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং উপস্থিত হৈ ভাষণ প্ৰদান কৰে। গোৰ্খা ছাত্ৰ সন্থাৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ সভাপতি শংকৰ চেত্ৰীৰ সঞ্চালনত অনুষ্ঠিত সভাখনৰ আদৰণী ভাষণ প্ৰদান কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি লীলা উপাধ্যায়ে। ইয়াৰ পিছত অনুষ্ঠানটিৰ লগত সংগতি ৰাখি মাধৱ উপাধ্যায় আৰু বিকি ঘনশ্যাম চেত্ৰীৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৰণিকা "আভাস" উন্মোচন কৰা হয়। উন্মোচন কৰে শ্ৰী শ্ৰী টিপুক মায়ামৰা দ্বাৰকা সত্ৰৰ সত্ৰাধিকাৰ তথা মৰাণ সাহিত্য সভাৰ সভাপতি হৰকান্ত মহন্ত প্ৰভুয়ে। উন্মোচনী ভাষণত সত্ৰাধিকাৰগৰাকীয়ে গোৰ্খা জনগোষ্ঠীৰ বিভিন্ন ঐতিহাসিকৰ তথ্যসমূহ পুংখানুপুখভাৱে বিশ্লেষণ কৰি বৃহত্তৰ অঞ্চলটোত মৰাণ জনগোষ্ঠী আৰু গোৰ্খা জনগোষ্ঠীৰ মাজত থকা সমন্বয় সকলোৰে বাবে আদৰ্শৰূপ হৈ ৰওক বুলি মত পোষণ কৰে। সভাত গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অশোক লামা, সাধাৰণ সম্পাদক শেখৰ গুৰুং, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয় কান্ত মৰাণ, কৃষক মুক্তি সংগ্ৰাম সমিতি কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক উমানন্দ মুদৈ মৰাণ, সদৌ অসম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰতীম নেওগ, চুতীয়া ছাত্ৰ সন্থাৰ জিলা সমিতিৰ উপদেষ্টা হৰেন শইকীয়া, মিছিং ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসম নেপালী সাহিত্য সভা, ভোজপুৰী ছাত্ৰ সন্থা, ফিল'বাৰী সেনা ছাউনীৰ বিষয়া আদিৰ লগতে জাতীয় আৰু জনগোষ্ঠীয় দল-সংগঠনৰ কেবাজনো বিষয়ববীয়া উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

# বিশ্বনাথৰ বালিচাংত বৃহৎ পৰিমাণৰ ভাং জব্দ

**ই-সংবাদ, বিশ্বনাথ, ২৭ ডিচেম্বৰঃ** বিশ্বনাথৰ বালিচাং আৰক্ষী চকীৰ অন্তৰ্গত ২নং দিলীচাঙত উদ্ধাৰ কৰা হয় বৃহৎ পৰিমাণৰ ভাং। প্ৰায় ১০কেজি মান ওজনৰ ভাং জব্দ কৰা হয় চাহাবুদ্দিন আলী নামৰ লোকজনৰ গৃহৰ পৰা। বালিচাং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জোনমণি দাসৰ নেতৃত্বত চলোৱা অভিযানত এই বৃহৎ পৰিমাণৰ ভাং জব্দ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে বিশ্বনাথ জিলা উপ-আৰক্ষী অধীক্ষক নৱজিৎ দাস বাগৰ তথা বিশ্বনাথ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পৱন গায়ন ঘটনাস্থলীত উপস্থিত হৈ অব্যাহত ৰাখিছে তদন্ত। ইতিমধ্যে লোকজনক আটক কৰি বিশ্বনাথ চাৰিআলি আৰক্ষী থানালৈ লৈ আনি সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে। পাভৈ আছুৰ বিষয়ববীয়াৰ লগতে স্থানীয় ৰাইজে আৰক্ষীৰ এই পদক্ষেপক ধন্যবাদ জনাইছে।

# ভূৰাগাঁও ৰাজহ চক্ৰৰ কাৰ্যালয়ত প্ৰাকৃতিক দুৰ্যোগৰ সজাগতা সন্দৰ্ভত বাটৰ নাট



**ই-সংবাদ, লাহৰীঘাট, ২৭ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ত বৃহস্পতিবাৰে প্ৰাকৃতিক দুৰ্যোগৰ সজাগতা সন্দৰ্ভত বাটৰ নাটৰ শুভাৰম্ভ কৰে। প্ৰাকৃতিক দুৰ্যোগ ব্যৱস্থপনা মৰিগাঁও জিলাৰ উদ্যোগত সুৰক্ষিত অসম আঁচনিৰ অধীনত সৰ্বসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ত ৰাজহ চক্ৰৰ কাৰ্যালয়ত বাটৰ নাটৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। এই শুভাৰম্ভ অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্ত অনচেওৱা শৰ্মা, ভূৰাগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা বণিয়া, জিলা প্ৰকল্প বিষয়া ৰঞ্জু শৰ্মা, ভূৰাগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত বৰগোহাঁই, স্থানীয় বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে কেইবা শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ক সাৱধানতাৰ ওপৰত বাটৰ নাট প্ৰদৰ্শন কৰা হয়। সজাগতা সৃষ্টিৰ বাবে বাটৰ নাট ভূৰাগাঁও ৰাজহ চক্ৰৰ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰা হ'ব।

# বৰপেটাৰ বিভিন্ন প্ৰান্তত মেলাৰ নামত অবাধে চলিছে জুৱা

**ই-সংবাদ, কলগাছিয়া, ২৭ ডিচেম্বৰঃ** বৰপেটা জিলাৰ অন্তৰ্গত বিশেষকৈ সংখ্যালঘু বসতি প্ৰধান অঞ্চলসমূহত যোৱা নৱেম্বৰ মাহৰপৰা ধাৰাবাহিকভাৱে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি দিনে নিশাই উচ্চ-স্বৰে ছাউণ্ড ছেট বজাই বিদেশী শিল্পীৰ দ্বাৰা নাচ-গান কৰি থকা পৰিলক্ষিত হৈছে। অসম আৰু অসমীয়াৰ সাংস্কৃতিক জগতখনক বিদেশী শিল্পীৰ দ্বাৰা ম্লান কৰা বুলি আমছুৰ বৰপেটা জিলা সমিতিয়ে অনুভৱ কৰিছে। আমছুৱে জানিবলৈ দিয়ে যে এই সাংস্কৃতিক অনুষ্ঠানৰ নামত উদ্যোক্তাসকলে বিভিন্ন ধৰণৰ কু-সংস্কাৰৰ লগতে জুৱা আদি অসামাজিক কাম-কাজ চলাই থকাৰ মাজতেই অঞ্চলসমূহত ড্ৰাগছ আসক্তৰ সংখ্যাও বৃদ্ধি পাইছে। আনহাতে, বৰ্তমান সময়ত স্নাতক বৰ্ষৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ষান্মাসিকৰ চূড়ান্ত পৰীক্ষা চলি আছে আৰু অহা ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখৰ পৰা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। উক্ত পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুতি চলাই থকাৰ মাজতেই এই ধৰণৰ অসামাজিক গান বাজনা, বিদেশী শিল্পীক আমন্ত্ৰণ কৰি সাংস্কৃতিক মঞ্চ উত্তাল কৰি ৰখা কাৰ্যক আমছুৱে তীব্ৰ গৰিহণা দিয়ে। লগতে যিসকল ব্যক্তিৰ ডি ভোটাৰৰ গোচৰ চলি আছে সেইসকল ব্যক্তিৰ মাজৰ পৰা কিছুমানে অহৈনী প্ৰক্ৰিয়াৰ মাজেৰে জামিন লাভ কৰিছে বুলি আমছুৱে জানিবলৈ দিয়ে। কিন্তু তাৰ পিছতো অসম আৰক্ষীয়ে জামিন লাভ পোৱা ব্যক্তিক কৰায়ত্ত কৰা বুলি আমছুৰ দৃষ্টি গোচৰ হোৱা বুলি উল্লেখ কৰে। সেয়ে আমছুৱে ভৱিষ্যত প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি প্ৰশাসনে যাতে অনতিপলমে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ নামলৈ চলি থকা জুৱা, বিদেশী শিল্পীক আমন্ত্ৰণ জনোৱাৰ লগতে ডি ভোটাৰৰ ক্ষেত্ৰত জামিন লাভ কৰা ব্যক্তিৰ ওপৰত দৃষ্টি ৰাখি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত বৰপেটা জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক অবৈধ জুৱা খেল বন্ধ কৰাৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰে আমছুৱে।

# আগমনিত দুৰ্ঘটনাত ছাত্ৰী আহত

**ই-সংবাদ, গোলকগঞ্জ, ২৭ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত মইচা প্ৰথম খণ্ড গাঁৱত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া এক পথ দুৰ্ঘটনাত এগৰাকী ছাত্ৰী আহত হয়। আহত ছাত্ৰীগৰাকী গাঁওখনৰ কবৰুদ্দিন সেখৰ কন্যা হাফিজা খাতুন(১০)। জানিব পৰা মতে, অৰুণোদয় ছোৱালী মজলীয়া বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী হাফিজা বিদ্যালয় ছুটিৰ পিছত ঘৰলৈ যোৱাৰ সময়ত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰিবলৈ লওঁতে আগমনিৰ পৰা গৌৰীপুৰ অভিমুখী ছুইফট ডিজায়াৰ বাহন এখন খুন্দিয়াই পলায়ন কৰে। উপস্থিত ৰাইজে ততালিকে ছাত্ৰীগৰাকীক আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰে।

# সু-সাহিত্যিক, বিশিষ্ট সমাজকৰ্মী সুনীল গোঁহাইৰ দেহাৱসান



**ই-সংবাদ, ডুমডুমা, ২৭ ডিচেম্বৰঃ** তিনিচুকীয়াৰ বৰগুৰিৰ নিবাসী, তিনিচুকীয়া জিলা সাহিত্যসেৱী মঞ্চৰ মাৰ্গদৰ্শক, প্ৰাক্তন কাৰ্যকৰী সভাপতি, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, অসম সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা সু-সাহিত্যিক, বিশিষ্ট সমাজকৰ্মী সুনীল গোহাঁইৰ চিকিৎসাধীন অৱস্থাত বৃহস্পতিবাৰৰ সন্ধিয়া ডিব্ৰুগড়ৰ আদিত্য হাস্পতাল আৰু নাৰ্ছিং হোমত মৃত্যু হয়। দীৰ্ঘদিন জটিল ৰোগত আক্ৰান্ত হৈ থকাৰ পিছত মৃত্যুক আঁকোৱালি লোৱা সু-সাহিত্যিক সুনিল গোঁহাইৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৬ বছৰ। আজি পুৱা তেখেতৰ মৃতদেহ মাঙ্গলিক কৰ্মৰে সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত তেখেতে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী, তিনিগৰাকী বিবাহিত কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেখেতৰ বিয়োগত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, চমুকৈ 'জুৱা'ৰ তিনিচুকীয়া জিলা সমিতি, পৰমানন্দ জাতীয় বিদ্যালয়কে ধৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# পঞ্চায়ত নিৰ্বাচনক লৈ মৰিগাঁৱত আঞ্চলিক সমিতি গঠনত তৎপৰ অগপ

**ই-সংবাদ, লাহৰীঘাট, ২৭ ডিচেম্বৰঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ মৰিগাঁৱত তৎপৰ হৈ উঠিছে আঞ্চলিক দল অসম গণ পৰিষদ। দলটোৰ মৰিগাঁও জিলাৰ সভাপতি ৰাজেন বৰাৰ নেতৃত্বত সম্প্ৰতি জিলাখনত আঞ্চলিক দলটোক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে পঞ্চায়তে পঞ্চায়তে আঞ্চলিক সমিতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। চলিত মাহৰ ১৯ ডিচেম্বৰৰ পৰা জিলাখনৰ মৰিগাঁও, লাহৰীঘাট আৰু জাগীৰোড এই তিনিওটা বিধানসভা সমষ্টিতে আঞ্চলিক সমিতি গঠনৰ কাম চলি আছে। ইতিমধ্যে মৰিগাঁও সমষ্টিৰ নিজ গেৰুৱা, লাউভুৰুংগা, কুশতলি, নিজ চহৰীয়া, বৰডোবাটোপ, বানমূৰী, ধূপগুৰি আদিকে ধৰি বহু কেইখন আঞ্চলিক সমিতি গঠন কৰা হয়। পৰ্যায় ক্ৰমে মৰিগাঁও সমষ্টিৰ আন আন আঞ্চলিক সমিতিসমূহৰ লগতে জাগীৰোড আৰু লাহৰীঘাট বিধানসভা সমষ্টিতো আঞ্চলিক সমিতিসমূহ গঠন কৰা হ'ব বুলি আঞ্চলিক দলটোৰ জিলা সভাপতি ৰাজেন বৰাই আজি সংবাদ মাধ্যমক জনায়। উল্লেখ্য যে জিলাখনত পূৰ্বে আঞ্চলিক দলটোৰ আঞ্চলিক সমিতিসমূহ আছিল যদিও সমষ্টি পুন নিৰ্ধাৰণৰ পাছত পুনৰ আঞ্চলিক সমিতিসমূহ গঠন কৰিব লগা হয়।

# হাবিবৰঙাবাৰী শাখা কবি সন্মিলনৰ অষ্টম সাধাৰণ সভা, চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

ই-সংবাদ, লাহৰীঘাট, ২৭ ডিচেম্বৰঃ সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত মৰিগাঁও জিলা কবি সন্মিলনৰ অন্তৰ্গত হাবিবৰঙাবাৰী শাখা কবি সন্মিলনৰ অষ্টম বাৰ্ষিক সাধাৰণ সভা আৰু চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনখনি কালি হাবিবৰঙাবাৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে সভাপতি অনিল অনিল কুমাৰ ভূঞাই। দিনৰ ২ বজাত সদৌ অসম কবি সন্মিলনৰ প্ৰাণ প্ৰতিষ্ঠাতা প্ৰয়াত ৰাম গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ভৱেন চন্দ্ৰ নাথে। কাব্যানুষ্ঠানৰ শুভাৰম্ভ ক্ষণত এগছি বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দীনবন্ধু ভূঞাই। সন্মিলনৰ সভাপতি অনিল কুমাৰ ভূঞাৰ সঞ্চালনাত শীতৰ আবেলি ৰৌদ্ৰস্নাত কাব্যানুষ্ঠান শীৰ্ষক কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, মৰিগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক মাধৱ চন্দ্ৰ ডেকা, সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক ভৱেন চন্দ্ৰ নাথ, সদৌ অসম কবি সন্মিলনৰ নতুন কবিতাৰ প্ৰতিনিধি ভূৱন চন্দ্ৰ ডেকা আৰু চৰাইবাহী কবি সন্মিলনৰ সম্পাদক মিন্টু কুমাৰ মেধি, জিলা কাৰ্যনিৰ্বাহক ৰংগন কুমাৰ নাথ, হাবি বৰঙাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত কুমাৰ নাথ। বিপ্লৱ কুমাৰ নাথ আৰু ভৱেন চন্দ্ৰ নাথে আঁত ধৰা এই কাব্যানুষ্ঠানত ভুবন চন্দ্ৰ ডেকা, মাধব চন্দ্ৰ ডেকা, বাহাৰুল ইছলাম, মিন্টু কুমাৰ মেধি, মিনুৱাৰা বেগম, পদুম নাথ, ভূৱন চন্দ্ৰ নাথ, টনেশ্বৰ নাথ, দীনবন্ধু ভূঞা, বিপ্লব কুমাৰ নাথ ভৱেন চন্দ্ৰ নাথকে প্ৰমুখ্য কৰি বহুকেইজন নবীন-প্ৰবীণ কবিয়ে অংশগ্ৰহণ কৰে। লগতে অৱসৰপ্ৰাপ্ত শিক্ষক, সাহিত্যিক ভৱেন চন্দ্ৰ নাথে গুৰু বন্দনা পৰিৱেশন আৰু ছয়গৰাকীকৈ শিশুৱে কবিতা আবৃত্তি কৰি অনুষ্ঠানটিক অনন্য মাত্ৰা প্ৰদান কৰে। সভাৰ কাৰ্যসূচী অনুসৰি আগন্তুক কাৰ্যকালৰ বাবে অনিল কুমাৰ ভূঞাক সভাপতি, বাহাৰুল ইছলামক সম্পাদক, পদুম কুমাৰ নাথক সহকাৰী সম্পাদক, ভৱেন চন্দ্ৰ নাথক পত্ৰিকা সম্পাদক হিচাপে লৈ আগন্তুক ২০২৫-২৭ কাৰ্যবৰ্ষৰ সমিতিখন গঠন কৰি দিয়ে। কাব্যমন্ত্ৰ পাঠ আৰু পতাকা অৱনমিত কৰি অনুষ্ঠানটিৰ সামৰণি পৰে।

# চামতাত পদপথত কবিতাৰ অনুষ্ঠান

**ই-সংবাদ, নলবাৰী, ২৭ ডিচেম্বৰঃ** পশ্চিম নলবাৰী কবি সন্মিলনৰ উদ্যোগত আৰু পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সহযোগত শুকুৰবাৰে সন্ধিয়া 'পদপথৰ জ্বাৰ কবিতা' শীৰ্ষক এক কবিতা পাঠ অনুষ্ঠান অনুষ্ঠিত হয়। নলবাৰী-সৰ্থেবাৰী সংযোগী পল্লা পথৰ চামতা-জামৰতলত পশ্চিম নলবাৰী কবি সন্মিলনৰ সভাপতি দিপক কুমাৰ শৰ্মাই সঞ্চলনা কৰা অনুষ্ঠানত কবি দ্বীপেন মেনা, হিতেশ্বৰ লহকৰ, তপন কুমাৰ শৰ্মা, গনেশ বৰ্মণ, দীপক কুমাৰ শৰ্মা, অনিমেষ বৰ্মন, ৰাজিব দত্ত, বীৰেন শৰ্মা, ভূৱনেশ্বৰ ডেকা, প্ৰতুল শৰ্মা, বলেন কুমাৰ গোস্বামী, খৰ্গেশ্বৰ  বৰ্মন, ৰাজেন বৈশ্য, দিলীপ তালুকদাৰ, বুবুল কুমাৰ শৰ্মা, প্ৰবীণ বৰ্মণ, নিৰেন বৈশ্য, হৰেণ বৰ্মন, ৰঞ্জিত কুমাৰ  বৰ্মন, অতুল ভূঞা, ৰতন কলিতাই কবিতা পাঠ কৰে। কবিতাৰ অনুষ্ঠানত সৰ্থেবাৰীৰ ৰাইজ মেল খ্যাত লচিমাৰ বিশিষ্ট কবি হিতেশ্বৰ লহকে চুঙা পিঠা, টেকেলি পিঠা আৰু ৰঙা চাহ যোগানেৰে কবি সমাজক আপ্লুত কৰে । পদপথৰ কবিতা পাঠ অনুষ্ঠানৰ অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মা। শৰ্মাই নিজৰ ভাষণ প্ৰসংগত কয় যে কবিতা



চৰ্চাৰে অসমীয়া ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ এক সহজ আৰু সৰল মাধ্যম। কবিতাৰে নিজৰ মনৰ ভাব প্ৰকাশৰ এক নিজস্ব শৈলী। এই শৈলীক কোনোবাই নুবুজিলেও সেয়াও কবিতাই। প্ৰত্যেকজন ব্যক্তিয়েই শব্দৰ ব্যৱহাৰৰ চৰ্চাৰে সাহিত্য সেৱা কৰাটো দায়িত্ব আৰু চামতাৰ এই পদপথৰ কবিতাৰ অনুষ্ঠান প্ৰকৃতাৰ্থত কবিতা মানুহৰ মাজলৈ কবিতাক আগুৱাই নিয়াৰ বলিষ্ঠ প্ৰয়াস। অনুষ্ঠানত নলবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ বিপিন কলিতা, চামতা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি এম হাচান আলী প্ৰমুখ্যে চামতাৰ বিশিষ্ট সাহিত্য অনুৰাগী উপস্থিত থাকে।

# ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ ডিচেম্বৰঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত পালন কৰা হ'ল অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস। ১০৮ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট লেখক, গল্পকাৰ জ্যোতি বৰগোহাঁয়ে। সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি বিশিষ্ট লেখিকাগৰাকীয়ে কয় যে অসমীয়া ভাষা সাহিত্য সংস্কৃতিক আগুৱাই নিয়াৰ উদ্দেশ্য যিসকল মহান নমস্য ব্যক্তিৰ প্ৰচেষ্টাত অসম সাহিত্য সভাৰ জন্ম হৈছিল, সেই সভাই আজি বহু প্ৰত্যাহ্বান নেওচি ১০৮ বছৰত ভৰি দিলে। বিভিন্ন সময়ত বিভিন্ন বিতৰ্ক হ'লেও অসম সাহিত্য সভা অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ এক অনবদ্য অংগ হৈ সকলোৰে মাজত থাকিব। সম্পাদক ৰাতুল গোহাঁয়ে প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা আৰু প্ৰতিষ্ঠা কালৰ পৰা জড়িত থকা নমস্য ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে তেওঁ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা অসম সাহিত্য সভাতকৈ পূৰ্বে ১৮৯৩ চনতেই গঠন হোৱা বুলি কৈ ডিব্ৰুগড় সাহিত্য সভাই নৱপ্ৰজন্মৰ লগতে প্ৰতিষ্ঠিত সকলোকে লগত লৈ অসমৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ আৰু বিদেশী প্ৰায় ৩৩ খন ৰাষ্ট্ৰৰ সৈতে কাৰ্যসূচী ৰূপায়ণ কৰি অসমীয়া ভাষা সাহিত্য সংস্কৃতিক আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰচেষ্টা কৰা বুলি কয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে উপ-সভাপতি যাদৱ গগৈয়ে স্মৃতি তৰ্পণ কৰি যিমানেই বিতৰ্ক মাজত সোমালেও অসম সাহিত্য সভা অসমীয়া মানুহৰ হিয়াৰ আমঠু হৈ থাকিব বুলি কৈ নৱ প্ৰজন্ম সাহিত্য সভাৰ সৈতে জড়িত হৈ ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে সমজুৱাকে জড়িত হ'বলৈ আহ্বান জনায়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত সাংগঠনিক সম্পাদক মুক্তামণি হাজৰিকা, প্ৰচাৰ সম্পাদক হিৰণ্য কৌশিক বৰা, কাৰ্যনিৰ্বাহক সদস্য দিনেশ দাস, মানকটা শাখা সাহিত্য সভাৰ প্ৰশান্ত শইকীয়াসহ অন্যান্যসকল উপস্থিত থাকে।

# নলবাৰীৰ নিউক্লিয়াছ একাডেমীৰ অভিনন্দন অনুষ্ঠান, তিনি কৃতী ছাত্ৰলৈ বঁটা

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৭ ডিচেম্বৰঃ** প্ৰগতিশীল সূক্ষ্ম চিন্তা ধাৰাৰে আগবঢ়া, বৌদ্ধিক মহলত সবল প্ৰভাৱ পেলোৱা নলবাৰীৰ আগশাৰীৰ বেচৰকাৰী শিক্ষানুষ্ঠান নিউক্লিয়াছ একাডেমীয়ে অইন বৰ্ষৰ দৰে এইবেলিও অহা ৩০ ডিচেম্বৰত বিশাল অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছে। চহৰৰ চ'ক বজাৰস্থিত শিক্ষানুষ্ঠানখনৰ চৌহদত হ'ব লগা অভিনন্দন অনুষ্ঠানটিত ২০২৩-২৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগ, ষ্টাৰ মাৰ্ক, ডিষ্টিংচন নম্বৰ লাভ কৰা শতাধিক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ লগতে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা কৃতী শিক্ষাৰ্থী তিনিগৰাকীক দুৰ্গা কিংকৰ গোস্বামী শৈক্ষিক বঁটা প্ৰদান কৰা হ'ব বুলি একাডেমীৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি তালুকদাৰ আৰু একাডেমিৰ তথ্য আৰু সম্প্ৰচাৰ বিষয়া মনোজ শৰ্মাই জানিবলৈ দিছে। এই বঁটা বিশিষ্ট চিকিৎসক সুগায়ক তথা স্তম্ভ লেখক ডাঃ শুভ্ৰকিংকৰ গোস্বামীয়ে পিতৃৰ নামত প্ৰদান কৰি আহিব বুলিও শিক্ষানুষ্ঠান কৰ্তৃপক্ষই জনাইছে। কৃতী ছাত্ৰ-ছাত্ৰী তিনিগৰাকী হ'ল চাহিদ আলম, সীমা বেগম আৰু মাধুৰ্যলগণ শৰ্মা। একেটা মহান অনুষ্ঠানত সমাজ জীৱনৰ সৈতে জড়িত থকা কেবাগৰাকী বিশিষ্ট নাগৰিক বৰেণ্য ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ ভিতৰত আছে বিশিষ্ট চিকিৎসক লোহিত বৈশ্য, চন্দন মোদক, দিগন্ত গোস্বামী, বিশিষ্ট সাংবাদিক কৃতী শিক্ষক জিতেন শৰ্মা, অসম টাইমৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, বিশিষ্ট ফাৰ্মাছিষ্ট খনীন্দ্ৰ তহবিলদাৰ আৰু বিশিষ্ট ব্যৱসায়ী মনোজ কুমাৰ বৰ্মন।

# মৰিগাঁও উচ্চতৰ মাধ্যমিক, বহুমুখী বিদ্যালয় ছাত্ৰ সন্থা গোটৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ২৭ ডিচেম্বৰঃ** মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ অন্তৰ্গত মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় ছাত্ৰ সন্থা গোটৰ বাৰ্ষিক অধিৱেশনখনি আজি সুকলমে অনুষ্ঠিত হৈ যায়।স্থানীয় গান্ধীভৱনত অনুষ্ঠিত এই অধিৱেশনত সভাপতিত্ব কৰে ছাত্ৰ সন্থা গোটৰ সভাপতি অংকু জ্যোতি নাথ আৰু উদ্দেশ্য ব্যাখ্যা কৰে গোটৰ সাধাৰণ সম্পাদক ভাৰ্গৱ যোগীয়ে। এই অধিৱেশনখনিত উপস্থিত থাকে সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰা, সাধাৰণ সম্পাদক প্ৰণৱ জ্যোতি বৰ্মন, সাংস্কৃতিক সম্পাদক বিকি বৰা, কাৰ্যালয় সম্পাদক শংকৰ শইকীয়া, সাংগঠনিক সম্পাদক মিঠু মেধি, নৰ জ্যোতি ডেকা। সদৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনে ছাত্ৰ-ছাত্ৰীৰ আগত সদৌ অসম ছাত্ৰ সন্থাৰ ইতিহাস আৰু সাংগঠনিক দিশৰ বিষয়ে বিস্তৃতভাৱে ভাষণ দাঙি ধৰে। ছাত্ৰ সন্থাই যে কেৱল ৰাজপথৰ আন্দোলনতে সীমাবদ্ধ নাথাকি শৈক্ষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱেও কাম-কাজ আগবঢ়াই লৈ গৈছে তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অধিৱেশনত মমেশ্বৰ বৰদলৈক সভাপতি আৰু জিনামণি বৰাক সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি প্ৰায় ৬১জনীয়া এখন সমিতি গঠন কৰা হয়। উক্ত অধিৱেশনখনিত মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং যোগাযোগ কৰক।

# বিশিষ্ট কণ্ঠশিল্পী সুৰকাৰ সুৰেশ হাতীমুৰীয়াৰ গীত উন্মোচন

**ই সংবাদ, ডিব্ৰুগড়, ২৭ ডিচেম্বৰঃ** বিশিষ্ট কণ্ঠশিল্পী সুৰকাৰ সুৰেশ হাতীমুৰীয়াৰ দুটা গান শুকুৰবাৰে উন্মোচন কৰে আকাশবাণী ডিব্ৰুগড় তথা দূৰদৰ্শনৰ কেন্দ্ৰৰ সঞ্চালক লোহিত ডেকাই। ডিব্ৰুগড়ৰ চৌকিদিঙিত থকা ৰামকৃষ্ণ সেৱাগ্ৰামৰ সভাকক্ষত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখক তথা আকাশবাণী দূৰদৰ্শনৰ সঞ্চালক লোহিত ডেকাই সুৰেশ হাতীমুৰীয়াৰ কণ্ঠৰ গীত দুটি উন্মোচন কৰি কয় যে আশীৰ দশকত হাতীমুৰীয়াৰ যি কণ্ঠ আছিল আজি সত্তৰ বছৰ বয়সতো সেই একেই কণ্ঠ, একেই সুৰ আছে। পূৰ্বতে আধুনিক গীতত পশ্চিমীয়া গীতৰ যি প্ৰভাৱ আছিল, সেই ধাৰা বিষ্ণু প্ৰসাদ ৰাভাৰ দৰে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই সেই তাহানিৰ আধুনিক গীতৰ ধাৰা সম্পূৰ্ণ সলনি কৰিছে। আগতে ডিব্ৰুগড়ত ৰাজেন গোহাঁই, হীৰেন গোহাঁই, সুৰেশ হাতীমুৰীয়াই যিবোৰ সংগীতৰ সৃষ্টি কৰিছিল আজি যেন যুৱ সমাজৰ মাজত সেইবোৰ হেৰাই যাবলৈ ধৰিছে। বৰ্তমান সংগীতকাৰ নোহোৱাৰ দৰে হৈছে। ডেকাই আক্ষেপ কৰি কয় যে সম্প্ৰতি মহিলাতকৈ পুৰুষৰ শিল্পী কণ্ঠ নোহোৱাৰ দৰে হৈছে। বিশিষ্ট গীতিকাৰ হেম বুঢ়াগোঁহাই আৰু গীতিকাৰ, সুৰকাৰ হীৰেন গোঁহায়ে লিখা আৰু সুৰেশ হাতীমুৰীয়াই কণ্ঠদান কৰা গীতদুটি সম্পৰ্কত গীতিকাৰ প্ৰশান্ত বৰদলৈয়ে কয় যে প্ৰথমাৱস্থাত গান ৰেকৰ্ডিং কৰিবলৈ কলিকতা, মুম্বাইলৈ যাব লগা হৈছিল, কিন্তু বৰ্তমান সেই দিন আৰু নাই। এতিয়া ৰেডিঅ'ৰ লগে লগে প্ৰায় ঘৰে ঘৰে ষ্টুডিঅ' হৈছে। গানবোৰ এতিয়া ঘৰতে ৰেকৰ্ডিং কৰিব পৰা হৈছে।আমাৰ ভিতৰত বহু সুকণ্ঠৰ গায়ক-গায়িকা আছে, সেইসকলক আমি আগুৱাই আনিব লাগিব। গীতিকাৰ সত্যোন শৰ্মাই কয় যে পূৰ্বতকৈ আকাশবাণীৰ উন্নতি হৈছে আৰু এতিয়া গান ৰেকৰ্ডিঙৰ সকলো সুবিধা আছে। অনুষ্ঠানত অংগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখিকা ড০ ভাৰতী দত্তই কয় যে এটা গান লিখিবলৈ বহুত সাধনা লাগে। নতুন প্ৰজন্মই কিছুমান গীত ৰচনা কৰে সেইবোৰৰ বেছিভাগেই তৰল। পুৰণা গীতিকাৰসকলে সেইবোৰ গীত নিলিখে আৰু তেনেকুৱা গীত নিলিখিবলৈ তেওঁ যুৱ প্ৰজন্মক আহ্বান জনায়। গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী ৰাজেন গোহাঁয়ে তেঁওৰ ভাষণত পূৰ্বৰ স্মৃতি সুঁৱৰি কিছুমান ৰসাল কথাৰে সকলোকে আকৃষ্ট কৰে। কণ্ঠশিল্পী তথা আকাশবাণীৰ অৱসৰপ্ৰাপ্ত বিষয়া সুৰেশ হাতীমুৰীয়াই দুয়োটা গীত নিজে কণ্ঠদান কৰা সম্পৰ্কত তেওঁ গীত দুটা ৰচনা কৰা হেম বুঢ়াগোহাঁই আৰু হীৰেন গোহাঁইক ধন্যবাদ জ্ঞাপন কৰে লগতে বাদ্যযন্ত্ৰত সহযোগ কৰা বিনন্দ কাকতি, দেৱজিৎ গগৈ, বকুল দাস, পলাশ কাঞ্চন, জগৎ গগৈ আৰু দেৱজিৎ গগৈক আন্তৰিক ধন্যবাদ জনায়। অনুষ্ঠানত আকাশবাণীৰ কেইবাগৰাকী কণ্ঠশিল্পী আৰু গীতিকাৰ উপস্থিত থকাৰ লগতে আন আন বিশিষ্ট অতিথি উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰা আৰু শলাগৰ শৰাই আগবঢ়ায় কণ্ঠশিল্পী অনুপম দত্তই।

## চাবুৱা-লাহোৱাল সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বিধায়ক পোনাকণ বৰুৱাৰ

# কংগ্ৰেছ নেত্ৰী মিনু গোৱালাৰ অগপত যোগদান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ ডিচেম্বৰঃ** ৰাজ্যক শাসক-বিৰোধী দলে পঞ্চায়ত নিৰ্বাচনৰ বাবে কুচকাৱাজ অব্যাহত ৰখাৰ সময়তে আজি চাবুৱা-লাহোৱাল সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজালে বিধায়ক পোনাকণ বৰুৱাই। বিগত কেইবাটাও দিনত বিজেপি, কংগ্ৰেছৰ কেবাগৰাকী নেতা-নেত্ৰীয়ে যোগদান কৰাৰ দৰেই আজিও ফুকনৰখাত গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী মিনু গোৱালাৰসহ দুই শতাধিক বিজেপি, কংগ্ৰেছ, আপ, ৰাইজৰ দলৰ নেতা-কৰ্মীয়ে অসম গণ পৰিষদত যোগদান কৰে। অগপৰ দখলত থকা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই পঞ্চায়ত নিৰ্বাচনক লৈ ব্যাপক তৎপৰ হোৱাৰ সময়তে আজি নৱগঠিত চাবুৱা-লাহোৱাল সমষ্টিত পুনৰ দুই শতাধিক লোকক দলটোত যোগদান কৰাইছে। দিছপুৰ এৰি তৃণমূল পৰ্যায়ত দলৰ ভেটি মজবুত কৰিবলৈ দিনে-নিশাই চাবুৱা-লাহোৱাল সমষ্টিত সময় কটোৱা পোনাকণ বৰুৱাৰ উপস্থিতিত আজি যোগদান সভা অনুষ্ঠিত হয়। ফুকনৰখাতৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত যোগদান কাৰ্যসূচীত বিজেপি-কংগ্ৰেছ দলৰ লগতে অন্যান্য দলৰ নেতা-কৰ্মীয়ে দলটোত যোগদান কৰে। বিধায়ক পোনাকণ বৰুৱা আৰু অগপৰ স্থানীয় নেতাসকলে দলটোত যোগদান কৰা নেতা-কৰ্মীসকলক একোখনকৈ ফুলাম গামোচা পিন্ধাই দলটোলৈ আদৰণি জনায়। বিধায়ক বৰুৱাই আজিৰ যোগদানে অগপৰ গণভিত্তি যে আছিল আৰু আছে সেই কথা প্ৰতিপন্ন কৰা বুলি কয়। দিন গৈ থাকে মানে অসমত অগপ দলৰ গণভিত্তি বাঢ়ি গৈ থাকিব বুলি দাবী কৰিছে বিধায়ক বৰুৱাই। কংগ্ৰেছ নেত্ৰী মিনু গোৱালাই অগপত যোগদান কৰি অগপ দলটোৱে ৰাইজৰ মৰম-চেনেহৰ মাজত জীয়াই থকা দল বুলি উল্লেখ কৰি কয় যে অগপ সদায়েই ঐক্যত বিশ্বাসী দল বুলি কয়। অগপই জাতি, বৰ্ণ, ধৰ্মৰ নামত ৰাজনীতি নকৰে। সকলোকে সমমৰ্যাদা প্ৰদান কৰাৰ নীতিৰে অগপ দলে চাৰিটা দশক ৰাজনীতি কৰিছে আৰু অনাগত দিনত সমাজক এক কৰিবলৈ ৰাজনীতি কৰি যাব। বিশেষকৈ চাবুৱা-লাহোৱাল সমষ্টিৰ ফুকনৰখাত গাঁও পঞ্চায়ত অগপৰ দখললৈ আনিবলৈ আহ্বান জনাইছে মিনু গোৱালাই। যোগদান সভাত অগপ চাবুৱা-লাহোৱাল সমষ্টিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, কাৰ্যকৰী সভাপতি নিপুল কোঁৱৰ, সম্পাদক বিনোদ বুঢ়াগোহাঁইৰ লগতে বহুকেইজন সমাজকৰ্মী আৰু অগপ কাৰ্যকৰ্তা উপস্থিত থাকে।

# মৰিগাঁৱত নাথ সাহিত্য সমাৰোহ- ২০২৪, নাথ সাহিত্য আৰু সংস্কৃতিৰে উখল-মাখল সমাৰোহস্থলী

**ই-সংবাদ, মৰিগাঁও, ২৭ ডিচেম্বৰঃ** অসমৰ প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী নাথ-যোগীসকলৰ সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে আজিৰে পৰা মৰিগাঁও সদৰ বিহুতলীত উখল-মাখল পৰিৱেশত নাথ সাহিত্য সংস্কৃতি সন্মিলন ২০২৪ দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। নাথ সাহিত্য সংস্কৃতি সন্মিলন আৰু নাথ সাহিত্য সভাৰ উদ্যোগত আৰু মৰিগাঁও জিলা নাথ সাহিত্য সভা আৰু জিলা যোগী সন্মিলনৰ সহযোগত অনুষ্ঠিত নাথ সাহিত্য সমাৰোহ ২০২৪ ৰ প্ৰথমদিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বন্তি প্ৰজ্বলন, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি, স্বাস্থ্য শিবিৰ মুকলি, ভোজনালয়ৰ দ্বাৰ মুকলি আৰু কবিতা পাঠৰ মনোজ্ঞ অনুষ্ঠান সম্পন্ন হয়। আনহাতে, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত বিয়লি চাৰি বজাৰ পৰা অনুষ্ঠিত হয় নাথ সাহিত্য সভা অসমৰ উদ্যোগত বিশেষ সাহিত্য বৈঠক। নাথ সাহিত্য সভাৰ সভাপতি ড০ হৰ কুমাৰ নাথৰ সঞ্চালনত অনুষ্ঠিত বৈঠক উদ্বোধন কৰে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল চন্দ্ৰ নাথে। সমাৰোহৰ গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰি মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা নাথ সাহিত্য সভাৰ প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে সমাপন হোৱাৰ কামনা কৰে। ইপিনে, পুৱাৰ ভাগত সাহিত্য সমাৰোহ ২০২৪ৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা সমিতিৰ সভাপতি লক্ষ্যজ্যোতি নাথ, নাথ সাহিত্য সংস্কৃতিৰ পতাকা উত্তোলন কৰে উপ-সভাপতি বলেন চন্দ্ৰ বৰুৱাই। স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বসন্ত কুমাৰ নাথে আৰু বিশিষ্ট শিক্ষাবিদ পুনাৰাম নাথে বন্তি প্ৰজ্বালনৰ পিছতে সামুহিক শিৰস্তুতি



কৰে শিক্ষাবিদ গদাধৰ নাথে। স্বাস্থ্য শিবিৰৰ দ্বাৰ উন্মোচন কৰে মৰিগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথে। ভোজনালয়ৰ দ্বাৰ উন্মোচন কৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক সমীৰ কুমাৰ নাথৰ লগতে মৃণালিনী দেৱীয়ে। দুপৰীয়া অনুষ্ঠিত মনোজ্ঞ কবিতা পাঠ অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে মহকুমা স্বাস্থ্য বিষয়া ডাঃ জয়ন্ত কুমাৰ নাথে। কবিতা পাঠৰ অনুষ্ঠানটিৰ সঞ্চালকৰ দায়িত্বত থাকে মায়ং মহাবিদ্যালয়ৰ সহযাত্ৰী অধ্যাপক ড০ উৎপল নাথ। কবিতা পাঠৰ মূলমঞ্চ উদ্বোধন কৰে চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য ভাগ্যৰাম নাথে। ইপিনে, সন্ধিয়া পাঁচ বজাত বিহুতলীৰ মূল মণ্ডপত কমল নাথৰ তত্ত্বাৱধানত অনুষ্ঠিত যোগ প্ৰদৰ্শন অনুষ্ঠান উদ্বোধন কৰে জিলা মীন বিষয়া ভাস্কৰজ্যোতি নাথে। ইয়াৰ পিছতে দৰং আৰু কোকৰাঝাৰৰ শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত নাথ-যোগীসকলৰ পৰম্পৰাগত লোকনৃত্য আৰু লোকসংস্কৃতিৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান মুকলি কৰে জিলা সাংস্কৃতিক বিষয়া অংশুমান দত্তই। কাইলৈ পুৱা ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, দিনৰ ১১ বজাত নাথ সাহিত্য সভাৰ সভাপতি ড০ হৰকুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত হবলগীয়া 'অসমীয়া ধ্ৰুপদী সাহিত্যৰ বিকাশত নাথ সাহিত্যৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰখনি উদ্বোধন কৰিব ভীমবৰ দেউৰী বঁটাপ্ৰাপক সাহিত্যিক মিলেশ্বৰ পাতৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ ডম্বৰুধৰ নাথে মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰিবলগীয়া আলোচনা চক্ৰখনিত আলোচক হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক ড০ নন্দসিং বৰকলা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰফুল্ল কুমাৰ নাথ, বিশিষ্ট সাহিত্যিক প্ৰশান্ত নাথৰ লগতে তিৱা, বড়ো, দেউৰী আৰু ৰাভা সাহিত্য সভাৰ নেতৃত্বই অংশগ্ৰহণ কৰিব। উক্ত আলোচনাচক্ৰতে 'যোগী চৰিত', 'নাথ সংস্কৃতি আৰু ঐতিহ্য' শীৰ্ষক দুখনকৈ গ্ৰন্থও উন্মোচন কৰা হ'ব। বিয়লি নাথ সাহিত্য সংস্কৃতি সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাখন উদ্বোধন কৰিব মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই। মুকলি সভাত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ধীৰেন নাথ, নাথ যোগী উন্নয়ন পৰিষদৰ অধ্যক্ষ বেণুধৰ নাথকে ধৰি বহুকেইজন ব্যক্তিয়ে অংশ গ্ৰহণ কৰিব বুলি আয়োজক সমিতিৰ তৰফৰ পৰা জনাইছে। মুকলি সভাখনত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব। সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ পিছতেই জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষুৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে।

# লখিমপুৰৰ জহিঙত গোৰ্খা সম্প্ৰদায়ৰ ৰাইজৰ বিধায়ক মানৱ ডেকাক বিশেষ সম্বৰ্ধনা

**ই-সংবাদ, লখিমপুৰ, ২৭ ডিচেম্বৰঃ** সদৌ অসম গোৰ্খা জনজাতি ছাত্ৰ সন্থাৰ উদ্যোগত জহিং বজাৰ আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত বৃহস্পতিবাৰে জহিঙত ৭৬ নং লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাক ধন্যবাদ জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰায় ডেৰ কোটি টকা ব্যয়ৰে জহিং নদীৰ কাষত নিৰ্মাণ কৰি দিয়া নদীবান্ধ আৰু গোৰ্খা সম্প্ৰদায়ক লখিমপুৰ জিলাত ট্ৰাইবেল বেল্ট আৰু ব্লকত সুৰক্ষিত শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ বাবে লখিমপুৰৰ বিধায়ক মানৱ ডেকাক ৰাজহুৱাকৈ সম্বৰ্ধনা জনাই ৰাইজে ধন্যবাদ জ্ঞাপন কৰে। বিধায়ক মানৱ ডেকাৰ ধন্যবাদ জ্ঞাপন অনুষ্ঠানত গোৰ্খা জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি গোপাল তামাঙৰ লগতে গোৰ্খা জনজাতি ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সদস্যসকলৰ উপৰি জহিঙৰ সমাজকৰ্মী ধ্ৰুৱ পাৰাজুলী আৰু কেবাগৰাকীও গণ্য মান্য বিশিষ্ট ব্যক্তিৰ লগতে তিনি শতাধিক লোকৰ উপস্থিতিত বিধায়ক মানৱ ডেকাক ৰাজহুৱাকৈ সম্বৰ্ধনা জনাই ধন্যবাদ জ্ঞাপন কৰা হয়।

# জাগীৰোডৰ স্পেকট্ৰাম একাডেমিৰ বাৰ্ষিক অনুষ্ঠানৰ সামৰণি

**ই-সংবাদ, জাগীৰোড, ২৭ ডিচেম্বৰঃ** তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয় জাগীৰোডৰ পালিগুৰিস্থিত আগশাৰীৰ শিক্ষানুষ্ঠান স্পেকট্ৰাম একাডেমিৰ দ্বিতীয় বাৰ্ষিক অনুষ্ঠান। বাৰ্ষিক অনুষ্ঠানৰ আজি অন্তিম দিনা জাগীৰোডৰ কলা মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বঁটা বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠান। অসম সৌৰভ নাদিৰাম দেউৰী, তিৱা স্বায়ত্ত পৰিষদৰ চৰকাৰী মনোনীত সদস্য খগেন চন্দ্ৰ দাসৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য প্ৰদৰ্শন কৰি উপস্থিত দৰ্শকসকলক আপ্লুত কৰে। বাৰ্ষিক অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকৰ শলাগ লয় স্পেকট্ৰাম একাডেমীৰ অধ্যক্ষ ড০ প্ৰশান্ত ভট্টাচাৰ্যই।

# ৬ জানুৱাৰীত হ'ব হাজোৰ ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ নিৰ্বাচন

**ই-সংবাদ, হাজো, ২৬ ডিচেম্বৰঃ** তীৰ্থনগৰী হাজোৰ ঐতিহাসিক শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰাৰ লগতে নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। কামৰূপ জিলা ন্যায়ধীশৰ নং DJK/Esstt/১৩৭০৩-৭০৬ তাৰিখ ১৩/১২/২০২৪ৰ হুকুম মতে আজি হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে নিৰ্বাচনী অধিসূচনা জাৰি কৰে। হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইনে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অহা ২০২৫ বৰ্ষৰ ৬ জানুৱাৰী তাৰিখে নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছে বুলি জানিবলৈ দিয়ে। মন্দিৰ পৰিচালনা সমিতিৰ বৰদেউৰীৰ তিনিজন সদস্য আৰু সেৱাইতৰ দুগৰাকী সদস্যৰ বাবে অনুস্থিতব্য নিৰ্বাচনৰ মনোনয়ন পত্ৰ গ্ৰহণৰ তাৰিখ অহা ৩০ ডিচেম্বৰ ২০২৪ৰ পৰা ২ জানুৱাৰী ২০২৫ লৈ ধাৰ্য কৰা হৈছে। মনোনয়ন পত্ৰ ২ জানুৱাৰীত পৰীক্ষা কৰা হ'ব আৰু অহা ৩ জানুৱাৰীত মনোনয়ন পত্ৰ উঠাই লব পাৰিব। চূড়ান্ত বৈধ প্ৰাৰ্থীৰ তালিকা ৪ জানুৱাৰীত ঘোষণা কৰা হ'ব। নিৰ্বাচন অহা ৬ জানুৱাৰীত ২০২৫ তাৰিখে পুৱা ৭ বজাৰ পৰা আবেলি ৪ বজালৈ অনুষ্ঠিত হ'ব আৰু অহা ৭ জানুৱাৰীত পুৱা ৮ বজাৰ পৰা ভোট গণনা অনুষ্ঠিত হ'ব। বৰদেউৰী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকল ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰ নিৰ্বাচনত বড়গাঁও, গেৰুৱা, টোক্ৰাদিয়া, ন-কুছি, বামুণটোলা আৰু গণেশটোলা গাঁৱৰ পুৰুষ ভোটাৰ হ'ব লাগিব। আনহাতে, সেৱাইতৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকল মাধৱ মন্দিৰ নিৰ্বাচনত সামৰি লোৱা গাঁওসমূহৰ ভিতৰৰ পুৰুষ ভোটাৰ হ'ব লাগিব। এই নিৰ্বাচনত বড়গাঁও, গেৰুৱা, টোক্ৰাদিয়া, ন-কুছি, বামুণটোলা আৰু গণেশটোলাৰ শৰ্মা সম্প্ৰদায়ৰ ভোটাৰসকলে তিনিজন বৰদেউৰীক ভোটদান কৰিব আৰু ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰ নিৰ্বাচনত সামৰি লোৱা গাঁওসমূহৰ ভিতৰত পুৰুষ ভোটাৰসকলে সেৱাইতৰ দুজন সদস্যক নিৰ্বাচনত ভোটদান কৰিব পাৰিব। নিৰ্বাচনৰ মুঠ ভোটাৰ হৈছে ৪,৩৫৮ গৰাকী।

# বৰদৈচিলা কলাকেন্দ্ৰ নাজিৰাৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, গেলেকী, ২৭ ডিচেম্বৰঃ** নাজিৰাৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান বৰদৈচিলা কলাকেন্দ্ৰৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নাজিৰা নাট্য মন্দিৰত উদযাপন কৰা হয়। এই উপলক্ষে সদৌ অসম ভিত্তিত প্ৰাইজমানি সৃষ্টিশীল নৃত্য আৰু ক্ৰাফটৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। পুৱা পতাকা উত্তোলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে বৰদৈচিলা কলাকেন্দ্ৰৰ নাজিৰাৰ সঞ্চালিকা মীনাক্ষী কোঁৱৰ দত্তই। ইয়াৰ পিছতে প্ৰয়াত বৰবিহুৱা ফিৰোজ কোঁৱৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তেখেতৰ পৰিয়ালৰ হৈ এসময়ৰ লতাশিলৰ বিহুৱতী মীনা বৰা কোঁৱৰে। ইয়াৰ পিছত নৃত্য প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰে পেপুৱা বুবুল গগৈয়ে। সদৌ অসম ভিত্তিত আয়োজিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে অসমীয়া বোলছবি জগতৰ জনপ্ৰিয় নৃত্য পৰিচালক অসীম বৈশ্য আৰু তেওঁক সহযোগ কৰে উদীয়মান নৃত্য প্ৰশিক্ষক পূজা ফুকন আৰু ৰাতুল দুৱৰাই। আক্ৰম হুছেইনে আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত সংগীত শিল্পী দিলীপ দাসৰ কথা-সুৰৰ পৰিচালনাৰে বৰদৈচিলা কলাকেন্দ্ৰৰ শীৰ্ষক গীতটি আনুষ্ঠানিকভাৱে উন্মোচন কৰে নাজিৰা শিমলুগুৰি উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ ড০ অজয়লাল বৰুৱাই। সভাত সমাজকৰ্মী ভবানন্দ বৰা, শিল্পী, সাহিত্যিক ৰণজিৎ মুক্তিয়াৰ, সংগীত শিল্পী ৰুমী গগৈ, নৃত্য শিল্পী দিপেচ গগৈ, সমাজকৰ্মী, শিক্ষাবিদ চিলমী বৰা, ক্ৰিয়াবিদ প্ৰণৱজ্যোতি বুঢ়াগোহাঁই, বিহুৱতী জয়শ্ৰী বুঢ়াগোহাঁই, বিহুৱা অনন্ত গগৈ, চিত্ৰশিল্পী চৈয়দা নিলোফাৰ আনাম আৰু উৎপল বৰুৱা সমাজকৰ্মী আমিনা বেগন, ৰিতুস্মিতা গগৈ উপস্থিত থাকে। উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সংবাদকৰ্মী ক্ৰমে অনন্ত কলিতা, দিলীপ শইকীয়া, নয়নমণি ভৰদ্বাজ, দেৱজিৎ শৰ্মা, ভাস্কৰ জ্যোতি মহন্ত আৰু যদুমণি হাজৰিকা। সন্ধ্যা জনপ্ৰিয় কণ্ঠশিল্পী ৰশ্মিতা লাহনে গীত পৰিৱেশনেৰে অনুষ্ঠানত উপস্থিত সকলোকে আপ্লুত কৰে। উক্ত অনুষ্ঠানত বৰদৈচিলা কলাকেন্দ্ৰৰ সঞ্চালিকা মীনাক্ষি দত্ত কোঁৱৰৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী অংকুৰ গগৈ, ৰঞ্জন গগৈ, জাগৃতি দে, সংগীত শিল্পী স্বস্তিকা বৰকটকী, সংগীতা গগৈ উপস্থিত থকাৰ লগতে বৰদৈচিলা কলাকেন্দ্ৰ নাজিৰাৰ ছাত্ৰ-ছাত্ৰীসকলে বৰগীত, আধুনীক গীত, ঢোল বাদন, নৃত্য পৰিৱেশন, অভিভাৱিকাসকলৰ সমবেত সংগীত পৰিৱেশনেৰে অনুষ্ঠানটি সফল কৰি তোলে।

# হাজোৰ বহ্নিমান কাৰাটে একাডেমীৰ বাৰ্ষিক বঁটা প্ৰদান



**ই-সংবাদ, হাজো, ২৭ ডিচেম্বৰঃ** হাজোৰ বহ্নিমান কাৰাটে একাডেমীত ২০২৪ বৰ্ষৰ বহ্নিমান কাৰাটে একাডেমীৰ বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হয়। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি কৃতি খেলুৱৈসকলক সম্বৰ্ধনা জনায় সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে। হাজো পাখামেলাস্থিত বহ্নিমান কাৰাটে একাডেমীত আয়োজিত অনুষ্ঠানত যোৱা ৮ ডিচেম্বৰত অনুষ্ঠিত ৰঙীণ বেল্টৰ পৰীক্ষাত উত্তীৰ্ণ শতাধিক ছাত্ৰ-ছাত্ৰীক মানপত্ৰ আৰু ৰঙীণ বেল্ট প্ৰদান কৰা হয়। লগতে বেল্টৰ বিভিন্ন শাখাত শ্ৰেষ্ঠ হোৱা অভিষেক মেধি, পৰিণীতা কলিতা, অংশুমান দাস, জ্যোতিৰ্ময় কলিতা, দেৱশীষ কলিতা, ৰাজদ্বীপ বৈশ্য, হৃষিকেশ পাঠক, মানস প্ৰতিম দাস আৰু প্ৰিয়াংশু দাসক সম্বৰ্ধনা জনোৱা হয়। আনহাতে হাৰিয়ানাত অনুষ্ঠিত কাই ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতা'২৪ ত পদক বিজয়ী হিমাংশুৰাজ পাটোৱাৰী, হিয়াশ্ৰী কলিতা, হৃষিতা দাস আৰু দিয়ানজ্যোতি দাসকো সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে বহ্নিমান কাৰাটে একাডেমীৰ মুখ্য প্ৰশিক্ষক ছেনচেই দিপাংকৰ মজুমদাৰে সম্বৰ্ধনা জনাই সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীক। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদকগৰাকীয়ে কয় আমাৰ খেলুৱৈসকলৰ যথেষ্ট প্ৰতিভা আছে। এগৰাকী সুদক্ষ খেলুৱৈ হ'ব লাগিলে নিয়মীয়াকৈ অনুশীলন কৰাটো অতি প্ৰয়োজনীয়। খেলুৱৈসকলে নিয়মীয়াকৈ অনুশীলন চলাই থাকিলে নিশ্চিয়কৈ ভাল ফলাফল লাভ কৰিব। আমাৰ খেলুৱৈসকলক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ আগবঢ়াই দিবলৈ সদৌ অসম কাৰাটে সন্থা সদায় খেলুৱৈৰ সৈতে থাকিব বুলি মন্তব্য কৰাৰ লগতে বহ্নিমান কাৰাটে একাডেমীৰ বছৰটোৰ শ্ৰেষ্ঠ খেলুৱৈক পুৰস্কৃত কৰা হ'ব বুলি ঘোষণা কৰে সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে। আনহাতে এই অনুষ্ঠানতে সদৌ অসম মল্লযুঁজ প্ৰতিযোগিতাত কামৰূপ জিলাৰ হৈ অংশগ্ৰহণ কৰি পদক লাভ কৰা বহ্নিমান স্পৰ্টচ হাবৰ খেলুৱৈ ধ্ৰুৱজিৎ দাস, পৃথুৰাজ দাস, ডেনিমৰাজ দাস, মনিষা দাস, নাজিৰ আহমেদ আৰু মাহমাদুল হাছানক মানপত্ৰ প্ৰদান কৰা হয়।

## প্ৰথম ইনিংছত ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত টীম ইণ্ডিয়াৰ ১৬৪-৫

# মেলবৰ্ণত ভাৰতৰ বিৰুদ্ধে সন্তোষজনক স্থিতিত অষ্ট্ৰেলিয়া

**মেলবৰ্ণ, ২৭ ডিচেম্বৰঃ** অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বক্সিং ডে' টেষ্টৰ দ্বিতীয় দিনৰ শেষলৈকে ভাৰতে প্ৰথম ইনিংছত ৫ উইকেটত সংগ্ৰহ কৰিছে ১৬৪ ৰান। ঋষভ পন্তে ৬ ৰান আৰু ৰবীন্দ্ৰ জাদেজাই ৪ ৰানত অপৰাজিত হৈ আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত সংগ্ৰহ কৰে ৪৭৪ ৰান। অষ্ট্ৰেলিয়াৰ হৈ সৰ্বাধিক ১৪০ ৰান সংগ্ৰহ কৰে ষ্টিভেন স্মিথে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে ৪টা আৰু ৰবীন্দ্ৰ জাদেজাই ৩টা উইকেট দখল কৰে। প্ৰথম ইনিংছৰ ভিত্তিত ভাৰতীয় দল এতিয়াও অষ্ট্ৰেলিয়াতকৈ ৩১০ ৰানত পিছ পৰি আছে। অষ্ট্ৰেলিয়াৰ ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে অতি দুৰ্বল আৰম্ভণি কৰে। অধিনায়ক ৰোহিত শৰ্মা আকৌ এবাৰ বেটিঙত ব্যৰ্থ হয়। মাত্ৰ তিনিটা ৰান সংগ্ৰহ কৰি তেওঁ আউট হোৱাত কে এল ৰাহুল আৰু যশস্বী জয়ছোৱালে ভাৰতীয় ইনিংছৰ দায়িত্ব লয়। কিন্তু ২৪ ৰান সংগ্ৰহ কৰি আউট হয় ৰাহুল। ইয়াৰ পিছতে বিৰাট কোহলি আৰু যশস্বী জয়ছোৱালে ভাল বেটিং কৰে। দুয়ো ভাৰতৰ স্ক'ৰ ১৫৩ লৈ লৈ যায়। দুয়োৰে মাজত ১০২ ৰানৰ অংশীদাৰিত্ব আছিল। কিন্তু যশস্বী জয়ছৱালৰ দুৰ্ভাগ্যজনক ৰান আউটৰ পিছত ভাৰত পুনৰ বিপদত পৰে। ৮২ ৰান সংগ্ৰহ কৰি আউট হয় যশস্বী জয়ছোৱাল। ইয়াৰ লগে লগে বিৰাট কোহলিয়েও ৩৬ ৰান সংগ্ৰহ কৰি আউট হয়।

# কোকৰাঝাৰত আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপ আৰম্ভ

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ ডিচেম্বৰঃ** কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত আজিৰে পৰা আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ৩০ সংখ্যক আন্তঃজিলা মাষ্টাৰ্ছ এথলেটিক চেম্পিয়নশ্বিপত ৩২খন ক্ৰীড়া জিলাৰ ১২০০ৰো অধিক প্ৰবীণ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনিত ৯০ বছৰৰ খেলুৱৈ ৫ গৰাকী আৰু ৯৫ বছৰীয়া খেলুৱৈ এগৰাকী আছে। উক্ত প্ৰতিযোগিতাখনি আজি ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। খেল উদ্বোধন কৰি কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে প্ৰবীণ খেলুৱৈয়ে জীৱনৰ সকলো প্ৰত্যাহ্বানক জয়ী কৰিছে। এই প্ৰতিযোগিতাৰ পৰাই নিৰ্বাচিত প্ৰবীণ খেলুৱৈসকল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ যাব। প্ৰতিযোগিতাখনিয়ে কোকৰাঝাৰৰ লগতে সমগ্ৰ বিটিআৰত ক্ৰীড়াৰ এক সুন্দৰ পৰিৱেশ গঢ়ি তুলিব বুলিও আশা প্ৰকাশ কৰে মন্ত্ৰী ব্ৰহ্মই। ইপিনে উক্ত অনুষ্ঠানত উপস্থিত থাকি বিধায়ক লৰেন্স ইছলাৰীয়ে ১২ টা শাখাত খেলসমূহ অনুষ্ঠিত হ'ব বুলি সদৰি কৰি প্ৰতিযোগিতাখনৰ সফলতা কামনা কৰাৰ লগতে সন্তুষ্টি ব্যক্ত কৰে। আনহাতে সদৌ অসম মাষ্টাৰ্ছ এথলেটিক সন্থাৰ সভাপতি মাগুৰাম বালাৰীয়েও আজিৰ অনুষ্ঠানত উপস্থিত থাকি খেলে বৃদ্ধ বয়সতো দেহক সুস্থ আৰু সবল কৰি ৰখাত সহায় কৰে বুলি মন্তব্য কৰি খেল অনুপ্ৰেৰণা যোগোৱা এক মাধ্যম বুলি সদৰি কৰিছে।

# আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতাক লৈ উখল-মাখল মৰিগাঁৱৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়াম

**ই-সংবাদ, মৰিগাঁও, ২৭ ডিচেম্বৰঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও চহৰৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত আৰম্ভ হৈছে ৪৬ সংখ্যক আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰ সহস্ৰাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। পুৱা ৬ বজাৰ পৰা ল'ৰা ছোৱালীৰ অনুৰ্দ্ধ ১৪, ১৬, ১৮, ২০ আৰু পুৰুষ-মহিলাৰ বিভিন্ন ইভেন্টৰ খেল সমূহ অনুষ্ঠিত হয়। দুপৰীয়াৰ ভাগত অসম এথলেটিকছ সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰাৰ সভাপতি তথা মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। ইয়াৰ পিছতে বিভিন্ন জিলাৰ খেলুৱৈ সকলৰ অংশগ্ৰহণৰে কুচ কাৱাজ অভিবাদন অনুষ্ঠান। ইয়াৰ পিছতে প্ৰতিযোগিতা উদ্বোধন আৰু জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা সভাপতি আৰু ড০ অচ্যুত কুমাৰ দাসৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ 'ক্ৰীড়াঙ্গন' উন্মোচন কৰে ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচাই। অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা, কেশৱ মহন্ত, সাংসদ জয়ন্ত বসুমতাৰী, মহাধিবক্তা দেৱজিৎ লন শইকীয়া, বিধায়ক ক্ৰমে মানৱ ডেকা, ৰূপক শৰ্মা, তিৱা স্বায়ত্ব পৰিষদ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অসম এথলেটিকছ সন্থাৰ সম্পাদক গীতাৰ্থ গোস্বামী, কোষাধ্যক্ষ ঋতুবৰণ শৰ্মা, অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সচিব কৌশাৰ জমিল হিল্লালী, ক্ৰীড়া সঞ্চালক প্ৰদীপ টিমুং, মীন সঞ্চালক গৌৰী শংকৰ দাস, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন খেলুৱৈ তৈয়াবুন নেছা, লাভলিনা বৰগোহাঁই প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নিশাৰ ভাগত অসম এথলেটিকছ সন্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। কাইলৈ পুৱা ৭ বজাৰ পৰা এথলেটিকছৰ বিভিন্ন ইভেন্টৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হ'ব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি